


# অন্বেষণ

প্ৰথম বছৰ ■ সপ্তম সংখ্যা ■ আগষ্ট, ২০১৪



- ব্ৰিকছ সন্মিলন, ব্ৰাজিল
- দেহৰ ওপৰত মনৰ প্ৰভাৱ
- দ্য লৰ্ড অৱ দ্য ৰিং

## নতুন চৰকাৰ, নতুন বাজেট


# ভাৰতৰ লোকসভা, ২০১৪ৰ স্বতন্ত্ৰ ৰাজ্য মন্ত্ৰীসকল


সৰ্বানন্দ সোণোৱাল


ভি কে সিং


ইন্দ্ৰজিৎ সিং ৰাও


জিতেন্দ্ৰ সিং


পীয়ুষ গোৱেল


প্ৰকাশ জাভেদকাৰ


সন্তোষ কুমাৰ গোৱাৰ


শ্ৰীপদ য়েচু নায়ক


নিৰ্মলা সীতাৰমন


ধৰ্মেন্দ্ৰ প্ৰধান

# অন্বেষণ

প্ৰথম বছৰ, সপ্তম সংখ্যা, আগষ্ট, ২০১৪ চন

## সূচীপত্ৰ

২ দেহৰ ওপৰত মনৰ প্ৰভাৱ
- অভিজিত শৰ্মা বৰুৱা

৪ দেশ বিদেশৰ খবৰ
- সংগ্ৰহ : কুশল গোস্বামী

৮ খবৰৰ লেছেৰি বোটলা
- সংগ্ৰহ : জয়ন্ত ডেকা

৯ ড° বিৰিঞ্চি কুমাৰ বৰুৱা
- অপৰাজিতা বৰা

১০ দ্য লৰ্ড অৱ দ্য ৰিং
- নিশা দেৱী

১১ তিৰুপতি বালাজী বা বেংকটেশ্বৰ মন্দিৰ
- চন্দনা মেধি চৌধুৰী

১৩ বৃক্ষ পূজা
- পল্লৱী গোস্বামী

১৪ সাধাৰণ জ্ঞানৰ সঁফুৰা

১৬ পৃথিৱীৰপৰা বিলুপ্ত হোৱা কেইবিধমান প্ৰাণী
- বনানী ডেকা

১৮ নতুন চৰকাৰ; নতুন বাজেট
- অপৰ্ণা দেৱী

২০ ভাৰতীয় চলচ্চিত্ৰৰ এশটা বছৰ
- লিপিমণি দত্ত

২২ মানসিক সামৰ্থ্য বিকাশ
- ৰবীন্দ্ৰ বৰ্মন

২৪ কুইজ
- ধ্ৰুৱ শৰ্মা

২৫ জুবিন মেহতা
- অপৰাজিতা দত্ত

২৭ ভাৰতৰ জ্ঞানপীঠ বঁটা বিজয়ীসকল
- কিৰণময়ী কলিতা

২৯ চুড'কু

৩০ ফুটবল বিশ্বকাপ, ২০১৪
- অৰ্চন কাশ্যপ

৩২ সঘনাই মনলৈ অহা প্ৰশ্ন

**সহযোগী সম্পাদক** : পংকজ দত্ত

**উপ-সম্পাদক** : কুশল গোস্বামী, প্ৰাঞ্জল তালুকদাৰ, লিপিমণি দত্ত

**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী

**মূল্য : বিছ টকা**

**অংগসজ্জা আৰু বেটুপাত** : কুঞ্জৰ দাস

**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ

অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰদ্বাৰা প্ৰকাশিত আৰু অবৈতনিক সচিব ডা° নাৰায়ণ শৰ্মাৰদ্বাৰা সম্পাদিত; অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰদ্বাৰা মুদ্ৰিত।

# দেহৰ ওপৰত মনৰ প্ৰভাৱ

■ অভিজিত শৰ্মা বৰুৱা

আমাৰ শৰীৰ আৰু মন—দুয়োটা আমাৰ অবিচ্ছেদ্য অংশ। শৰীৰ বা শৰীৰৰ কোনো অংগ বুলিলে আমি কিবা এটা গঠন বা আকাৰৰ কথা মোটামুটিভাৱে ধাৰণা কৰিব পাৰো বা ছবি-ৰেখাংকণেৰে বুজাই দিব পাৰো। কিন্তু মন বা মনৰ দুখ-বেজাৰ, আনন্দ-উছাহ আদি ভাববোৰ? চিকিৎসা বিজ্ঞানীয়ে যেনেকৈ শৰীৰ ব্যৱচ্ছেদ কৰিব পাৰে আৰু সেই কামৰদ্বাৰা 'এয়া হৃদযন্ত্ৰ', 'এয়া মগজু', 'এয়া কিডনী'—এনেকৈ দেখুৱাই দিব পাৰে, সেই একেধৰণে মনক বা মনৰ ভাববোৰক দেখুৱাই দিব নোৱাৰে। সেইবুলি মনৰ যে অস্তিত্ব নাই বা ই এটা কাল্পনিক বস্তু—এয়াওতো নহয়। আমাৰ দেহ-মনৰ সৈতে যেন কম্পিউটাৰৰ হাৰ্ডৱেৰ-ছফ্টৱেৰৰে কিছু মিল আছে। কম্পিউটাৰৰ হাৰ্ডৱেৰৰ দৰে শৰীৰটো দেখা পোৱা যায়। পাছে ছফ্টৱেৰৰ দৰে মনটোক দেখা পোৱা নাযায়, কিন্তু সৰ্বদা তাৰ অস্তিত্ব অনুভৱ কৰা যায়।

## দেহ আৰু মন : ইটোৱে সিটোক এৰি থাকিব নোৱাৰে

দেহ আৰু মনৰ ইটোৰ ওপৰত সিটোৰ প্ৰভাৱ আছে। নিৰোগী দেহ এটাই মনত শক্তি যোগায়। আনহাতে মনৰো দেহৰ ওপৰত প্ৰভাৱ আছে। এই প্ৰভাৱ কিন্তু যথেষ্ট বেছি। হঠাতে অহা এটা দুঃসংবাদে এজন স্বাস্থ্যবান সুস্থ মানুহৰ দেহৰ শক্তি লগে লগে নিঃশেষ কৰি পেলোৱা দেখা যায়। সেই সময়ত তেওঁ হয়তো মানসিকভাৱে ইমান ভাগি পৰে যে আগ মুহূৰ্তলৈকে সম্পূৰ্ণ 'সুস্থ' মানুহজনে পিছ মুহূৰ্ততে থিয় হৈ থকাৰ শক্তিকণো হেৰুৱাই পেলায়। দেহৰ ভিতৰৰ এই সমস্ত শক্তি মনেই বাৰু কাঢ়ি নিনিলেনে? অকালতে যমে কাঢ়ি নিয়া সন্তানৰ মৃত্যু সহিব নোৱাৰি নিজেই মৃত্যুক সাৱটি লোৱা পিতৃ-মাতৃও আছে। এই ক্ষেত্ৰতো মনেই দেহক ধ্বংসৰ পথলৈ ঠেলি দিয়ে। আনহাতে মনৰ প্ৰৱল শক্তিৰ ইতিবাচক প্ৰভাৱত শাৰীৰিকভাৱে অক্ষম একোজন লোকেও বিৰল সফলতাৰ জখলাত উঠা দেখা যায়। মনৰ ইমান প্ৰচণ্ড শক্তিৰ কথা জানিও আমি দেহৰ যতন লোৱাত যিমান সময়-শক্তি-অৰ্থ খৰচ কৰো, মনৰ যতন লোৱাত সেয়া নকৰো।

## মনে কি কৰিব পাৰে?

মানুহৰ মনত সৃষ্টি হোৱা আবেগ-অনুভূতিয়ে বিভিন্ন হৰমʼন আদিৰ নিঃসৰণ ঘটাই বা হৈ থকা নিঃসৰণ বন্ধ কৰি শৰীৰৰ ওপৰত উল্লেখ্যযোগ্য প্ৰভাৱ পেলাব পাৰে। খুব দুখৰ সময়ত মানুহৰ খোৱাৰ ইচ্ছা নাইকিয়া হয়, আনকি প্ৰস্ৰাব-পাইখানাৰ তাগিদাও কমি যায়; প্ৰাণৰ ভয়ত পলালে মানুহে কেতিয়াবা অবিশ্বাস্য শাৰীৰিক শক্তি লাভ কৰে। এইবোৰ হʼল মানুহৰ শৰীৰৰ ওপৰত মনৰ প্ৰভাৱৰ একো একোটা উদাহৰণ।

মন তথা মস্তিষ্কত সৃষ্টি হোৱা ভাব-অনুভূতি, দেহৰ স্নায়ুতন্ত্ৰ আৰু ৰোগ প্ৰতিৰোধ তন্ত্ৰৰ মাজৰ পাৰস্পৰিক সম্পৰ্কৰ বিষয়ে অধ্যয়ন কৰা বিজ্ঞানৰ ক্ষেত্ৰখনৰ নাম হʼল—'ছাইক'-নিউৰ'-ইমিউনলজি' (Psycho-neuro-immunology বা চমুকৈ PNI)। ১৯৭৫ চনত ৰʼচেষ্টাৰ বিশ্ববিদ্যালয়ৰ দুজন বিজ্ঞানী ৰবাৰ্ট আডেৰ আৰু নিকʼলাছ কোহেনে প্ৰথম এই শব্দটো (PNI) ব্যৱহাৰ কৰে। ১৯৮১ চনত ৰʼচেষ্টাৰ বিশ্ববিদ্যালয়ৰে ডেভিড ফেলটন নামৰ এজন বিজ্ঞানীয়ে ৰক্তবাহী নলী আৰু ৰোগ প্ৰতিৰক্ষা তন্ত্ৰৰ লগত একেলগে সংযুক্ত হৈ থকা এক স্নায়ু জালিকা আৱিষ্কাৰ কৰে। তাৰ পাছত ১৯৮৫ চনত কাণ্ডাচ পাৰ্ট নামৰ এগৰাকী নিউৰʼবিজ্ঞানীয়ে মস্তিষ্ক আৰু প্ৰতিৰক্ষা তন্ত্ৰত একে ধৰণৰ এক 'গ্ৰাহক' থকাৰ কথা জানিবলৈ দিয়ে। সেই গ্ৰাহকে কিছুমান গ্ৰন্থিৰপৰা হোৱা নিঃসৰণ নিয়ন্ত্ৰণ কৰাৰ কথাও জানিব পৰা গʼল। এইবাৰ আকৌ আন এক আৱিষ্কাৰৰ জৰিয়তে গম পোৱা গʼল যে প্ৰতিৰক্ষা তন্ত্ৰ আৰু মস্তিষ্কই পৰস্পৰৰ লগত এক সাংকেতিক পদ্ধতিৰে 'কথা পাতি' থাকে।

## মনৰ বসতিস্থান : মস্তিষ্ক

আমি মনত দুখ পালে বা আন্তৰিক আঘাত পালে বুকুখন যে বিষাই উঠে, তাৰ অৰ্থ এয়া নহয় যে বুকুৰ ভিতৰতে আমাৰ মন আৰু অন্তৰখন থাকে। মনৰ বসতিস্থান আমাৰ মগজু বা মস্তিষ্ক বুলি ক'লেহে অধিক শুদ্ধ হ'ব। মনৰ দুখৰ বাবে যি ভাবৰ সৃষ্টি হয়, সেয়া মস্তিষ্কতে হয়। পাছে সেই ভাবৰ ফলত আমি আগতে কৈ অহাৰ দৰে কিছু নিঃসৰণ হয়, আন কিছু নিঃসৰণ বন্ধ হয় আৰু কিছুমান জটিল ৰাসায়নিক বিক্ৰিয়া ঘটে। এই বিক্ৰিয়াৰ ফলত ৰক্ত পৰিসঞ্চৰণ তন্ত্ৰত কিছু বাধা জন্মে আৰু এই তন্ত্ৰৰ মূল কেন্দ্ৰ হৃদপিণ্ড থকা আমাৰ বুকুখন বিষাই উঠে। কোনোবাই তেতিয়া 'বুকুখন মোৰ বিষায় অ' ' বুলি গালেও তাৰ আৰম্ভণি হয় মগজুতহে।

আমাৰ মনৰ ঈৰ্ষা, দয়া, কৰুণা, মৰম আদি ভাববোৰৰো মূল উৎপত্তিস্থান হ'ল মস্তিষ্ক। গতিকে আবেগৰ সৃষ্টিও মস্তিষ্কতে হয়। আবেগবোৰ প্ৰকৃততে মগজুত সংঘটিত যথেষ্ট সংখ্যক ক্ষুদ্ৰ ক্ষুদ্ৰ অথচ জটিল ৰাসায়নিক বিক্ৰিয়াৰদ্বাৰাহে সৃষ্টি হয়। গতিকে এনে সম্ভাৱনাও নিশ্চয় আছে যে এনে ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাসায়নিক বিক্ৰিয়াবোৰ নিয়ন্ত্ৰণ কৰি আমি আমাৰ মনৰ আবেগবোৰো সলনি কৰিব পাৰিম।

চিকিৎসা বিজ্ঞানীসকলে এতিয়া সূক্ষ্ম আধুনিক যন্ত্ৰ-পাতিৰ সহায়ত মানুহৰ মস্তিষ্কৰ ভাববোৰ পঢ়াৰো চেষ্টা কৰিছে। এনে ধৰণৰ এবিধ সংবেদী পদ্ধতি হ'ল— 'ফাংছনেল মেগনেটিক ৰিজনেন্স ইমেজিং' (Funcational Magnetic Resonance Imaging, FMRI)। এই পদ্ধতিৰে আমি চিন্তা কৰি থকা অৱস্থাত মগজুৰ ভিতৰেৰে হোৱা ৰক্তপ্ৰবাহৰ সূক্ষ্ম পৰিৱৰ্তন জুখি উলিয়াব পৰা যায়। ফাংছনেল মেগনেটিক ৰিজনেন্স ইমেজিং পদ্ধতিয়ে এক অভিনৱ সম্ভাৱনাৰো সৃষ্টি কৰিছে। আমি যদি এটা বস্তু চাওঁ, তেন্তে আমি সেই বস্তুটো পছন্দ কৰিছোনে নাই কৰা—সেই ভাবৰ ওপৰত নিৰ্ভৰ কৰি মগজুৰ নিৰ্দিষ্ট অংশইদি হোৱা ৰক্তপ্ৰবাহৰ মান বিভিন্ন হ'ব। এই ৰক্তপ্ৰবাহৰ মান জুখি আমি সেই বস্তুটো চাই ভাল পাইছো নে বেয়া পাইছো সেয়া নিৰূপণ কৰিব পৰা যাব।

## ছাইক'ছাৰ্জাৰীৰে চিকিৎসা

নিউৰ'বিজ্ঞানৰ বিকাশ আৰু নানা অত্যাধুনিক নিউৰ' সঁজুলিৰ বিকাশৰ লগে লগে চিকিৎসা বিজ্ঞানত 'ছাইক'ছাৰ্জাৰী' নামেৰে ছাৰ্জাৰীৰ আন এক নতুন শাখাৰো সৃষ্টি হৈছে। ছাইক'ছাৰ্জাৰীৰে মানুহৰ মনোবৈজ্ঞানিক ৰোগৰ চিকিৎসা কৰাৰ উপৰি অবাধ্য আৰু অমনোযোগী ল'ৰা-ছোৱালীকো ভদ্ৰ আৰু মনোযোগী কৰি তুলিব পৰা যায়।

আমাৰ দেহত অক্সিটছিন নামৰ এবিধ হৰম'ন আছে। বিজ্ঞানীসকলে জানিবলৈ দিছে যে অস্বাভাৱিক লাজ বা ভয় সৃষ্টিৰ মানসিক ৰোগৰ ক্ষেত্ৰতো এই অক্সিটছিনৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। কোনো মানুহে যে এনেয়ে লাজ কৰে বা কিবা বস্তু, দৃশ্য নাইবা আন কোনো ব্যক্তিক অযুক্তিকৰভাৱে ভয় কৰে, তাৰ কাৰণ হ'ল তেওঁৰ দেহত অক্সিটছিনৰ বিসংগতি। বাহিৰা দৰবৰ সহায়ত অক্সিটছিনৰ পৰিমাণ ঠিক জোখত ৰাখি এই অস্বাভাৱিক লাজ বা ভয়ৰ লক্ষণৰ চিকিৎসা কৰিব পৰা যায়। অক্সিটছিনে মানুহৰ মনৰপৰা হতাশা আৰু টেনছনৰ ভাবো কমাব পাৰে।

মানুহৰ স্মৃতিশক্তিৰ লগত জড়িত এবিধ জিনৰ নাম হ'ল 'কিব্ৰা'। যিসকল লোকৰ স্মৃতিশক্তি প্ৰখৰ তেওঁলোকৰ দেহকোষত কিব্ৰা জিনৰ এক বিশেষ প্ৰকাৰ থাকে। আনহাতে কিব্ৰা জিনৰে আন এক সংস্কৰণে আন কিছু মানুহৰ ক্ষেত্ৰত এনে সামৰ্থ কমাই ৰাখে। বিজ্ঞানীসকলে ধাৰণা কৰিছে যে আলজেইমাৰ্ছকে ধৰি কিছু স্মৃতিবিভ্ৰম ৰোগৰ সৃষ্টিৰ লগত কিব্ৰা জিনৰ নিশ্চয় সম্পৰ্ক আছে।

যি দেখা গৈছে মানুহৰ মন-স্মৃতি-আবেগ আদি এতিয়া দুৰ্বোধ্য হৈ থকা নাই। মনৰ দুৰ্বাৰ শক্তিৰ বৈজ্ঞানিক বিশ্লেষণো লাহে লাহে সম্ভৱ হৈ আহিছে। 'দেহা থাকিলেহে বেহা' বুলি আমি জানিলেও সেই দেহাৰ ওপৰতো মনৰ আধিপত্য সাব্যস্ত হৈছে। এনে সময়লৈও হয়তো বেছি দিন নাই যেতিয়া আমি চিকিৎসা-বৈজ্ঞানিক উপায়েৰেই কাৰোবাৰ আমালৈ থকা ঘৃণাৰ ভাবক মৰমৰ ভাবলৈ ৰূপান্তৰিত কৰিব পাৰিম আৰু সকলোৰে মনত ভাল ভাল চিন্তাৰ সৃষ্টি কৰিব পাৰিম। ❑

## ষষ্ঠ ‘ব্ৰিকছ’ সন্মিলন সমাপ্ত

ষষ্ঠ ‘ব্ৰিকছ’ সন্মিলন যোৱা ১৫ জুলাই তাৰিখৰপৰা দুদিনীয়া কাৰ্যসূচীৰে ব্ৰাজিলৰ ফৰ্টেলেজাত আৰম্ভ হয়। এই শীৰ্ষ সন্মিলনত ‘ব্ৰিকছ’ৰ অন্তৰ্গত আটাইকেইখন দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। ব্ৰিকছৰ অন্তৰ্গত ৰাষ্ট্ৰকেইখন হৈছে ব্ৰাজিল, ৰাছিয়া, ভাৰত, চীন আৰু দক্ষিণ আফ্ৰিকা। এইবাৰৰ সন্মিলনত প্ৰধানতঃ গোলকীয় অৰ্থনীতিৰ উন্নয়ন অধিক দৃঢ় কৰা সন্দৰ্ভত আৰু দেশকেইখনত শান্তিময় পৰিবেশ গঢ়ি তোলাত অহা বাধাসমূহৰ বিষয়ে আলোচনা কৰা হয়। বিশ্ব বেংক আৰু আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ (I.M.F.) আধিপত্যক প্ৰত্যাহ্বান জনাই এই ষষ্ঠতম সন্মিলনতে ‘ব্ৰিকছ উন্নয়ন বেংক’ গঠন কৰিবলৈ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ব্ৰিকছ উন্নয়ন বেংকৰ সদৰ কাৰ্যালয় চীনৰ বাণিজ্যিক ৰাজধানী ছাংহাইত স্থাপন কৰা হ’ব। এই বেংকৰ অধ্যক্ষ পদ পৰ্যায়ক্ৰমে পাঁচখন দেশৰপৰাই নিৰ্বাচিত হ’ব। এই বেংকটোৰ প্ৰথমগৰাকী অধ্যক্ষ ভাৰতৰপৰা মনোনীত হ’ব। প্ৰাথমিকভাৱে ৫০০০ কোটি আমেৰিকান ডলাৰ মূলধনেৰে এই বেংক আৰম্ভ কৰা হ’ব যদিও পিছলৈ মূলধনৰ পৰিমাণ ১০,০০০ কোটি আমেৰিকান ডলাৰলৈ বৃদ্ধি কৰা হ’ব। তদুপৰি পৰৱৰ্তী পৰ্যায়ত অন্যান্য কিছু দেশকো এই বেংকৰ সদস্যভুক্ত কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। লগতে ফৰ্টেলেজাত অনুষ্ঠিত সন্মিলনত ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী চীন আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ক্ৰমে ঝি জিনপিং আৰু ভ্লাদিমিৰ পুটিনৰ লগত সুকীয়াকৈ দ্বিপাক্ষিক সমস্যা আৰু সহযোগিতা সন্দৰ্ভত আলোচনাত মিলিত হৈছিল।

(বি.দ্ৰ. : ব্ৰিকছ এটা এব্ৰিবিয়েচন। Brazil, Russia, India, China আৰু South Africaৰ এই দেশকেইখনৰ আদি বৰ্ণটো লগ লাগি BRICS শব্দটোৰ উৎপত্তি হৈছে।

* এক আমেৰিকান ডলাৰ = প্ৰায় ৬০ টকা

## ‘এটেষ্টেড’ প্ৰথা বাতিল

যোৱা ১৫ জুলাই তাৰিখে কেন্দ্ৰীয় চৰকাৰৰ প্ৰশাসনীয় সংস্কাৰ আৰু ৰাজহুৱা অভিযোগ বিভাগৰদ্বাৰা জাৰি কৰা এক নিৰ্দেশনা যোগে প্ৰত্যায়িত কৰা (Attest) প্ৰথা বিলোপ কৰা হয়। এতিয়াৰেপৰা কোনো চৰকাৰী বিভাগত নথি-পত্ৰ বা শপতনামা দাখিল কৰাৰ ক্ষেত্ৰত ৰাজপত্ৰিত বিষয়া (গেজেটেড) আৰু ন’টাৰি বিষয়াৰদ্বাৰা প্ৰত্যায়িত (এটেষ্টেড) কৰাৰ প্ৰয়োজন নাথাকিব। গতিকে দেশৰ নাগৰিকসকলে কোনো চৰকাৰী বিভাগত চাকৰি বা অন্য কোনো প্ৰয়োজনত দাখিল কৰিবলগীয়া নথি-প্ৰমাণ ৰাজপ্ৰত্ৰিত বিষয়া বা ন’টাৰি বিষয়াৰদ্বাৰা প্ৰত্যায়িত নকৰাকৈ দাখিল কৰিব পাৰিব। কেন্দ্ৰীয় চৰকাৰে প্ৰশাসনীয় জটিলতা দূৰ কৰাৰ লগতে প্ৰশাসনক অধিক জনস্বাৰ্থমুখী কৰাৰ লক্ষ্যৰে এনেধৰণৰ প্ৰশাসনীয় সংস্কাৰৰ পৰিকল্পনা গ্ৰহণ কৰিছে।

## দক্ষিণ আফ্ৰিকাৰ বৰ্ণ-বৈষম্যৰ প্ৰতিবাদী ‘কণ্ঠ’ নাডিন গৰ্ডিমাৰৰ মৃত্যু



দক্ষিণ আফ্ৰিকাৰ বৰ্ণ-বৈষম্য বিৰোধী লেখিকা, সাহিত্যৰ ন’বেল বঁটা বিজয়ী নাডিন গৰ্ডিমাৰৰ যোৱা ১৩ জুলাই তাৰিখে মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯০ বছৰ। দক্ষিণ আফ্ৰিকাৰ বৰ্ণ-বৈষম্যৰ বিৰুদ্ধে ‘শক্তিশালী কণ্ঠ’ হিচাপে পৰিচিত ৰাজনৈতিক কৰ্মী তথা আপোচবিহীন লেখিকাগৰাকীয়ে শান্তিপূৰ্ণভাৱে মৃত্যুক আঁকোৱালি লয়। যি সময়ত আফ্ৰিকান নেছনেল কংগ্ৰেছক দেশখনৰ প্ৰশাসনে নিষিদ্ধ ঘোষণা কৰিছিল, সেই সময়তে দলটোত যোগদান কৰি গৰ্ডিমাৰে অপৰিসীম সাহসৰ পৰিচয় দিছিল। দক্ষিণ আফ্ৰিকাৰ সমাজ জীৱন পংগু কৰা বৰ্ণ-বৈষম্য আৰু অনৈতিক

কাম-কাজ, শোষণ আদিয়ে আছিল তেওঁৰ লেখাৰ মূল উপজীব্য। ১৯৬০ চনত তেওঁৰ প্ৰিয় বন্ধু বেটি দুটইটক দক্ষিণ আফ্ৰিকাৰ ৰক্ষণশীল চৰকাৰে গ্ৰেপ্তাৰ কৰাৰ পিছতে বৰ্ণ-বৈষম্যৰ বিৰুদ্ধে নামি পৰা গৰ্ডিমাৰে ইয়াৰ পিছত প্ৰয়াত নেলছন মেণ্ডেলাৰ সৈতে বৰ্ণ-বৈষম্য বিৰোধী আন্দোলনত জঁপিয়াই পৰে। ৰাজনৈতিক জীৱনৰ মাজতে সমান্তৰালভাৱে কলম চলাই যাবলৈ সক্ষম হোৱা এই অসীম সাহসৰ অধিকাৰী নেতৃগৰাকীয়ে কেবাখনো মূল্যবান আৰু জনপ্ৰিয় গ্ৰন্থ বিশ্ববাসীক উপহাৰ দিবলৈ সক্ষম হৈছে। তেওঁৰ সংগ্ৰামী ভাবধাৰাৰ গ্ৰন্থকেইখনমান হ'ল—'বাৰ্গাছ ডটাৰ', 'জুলাইছ পিপল', 'দ্য কনজাৰভেশ্বনিষ্ট' আদি। উপন্যাস, নাটক, চুটিগল্প, প্ৰবন্ধ, সম্পাদিত সাহিত্যকৰ্মৰে বিশ্ব সাহিত্যক চহকী কৰি থৈ যোৱা নাডিন গৰ্ডিমাৰে 'দ্য কনজাৰভেশ্বনিষ্ট' নামৰ উপন্যাসখনৰ বাবে ১৯৭৪ চনত বুকাৰ বঁটা লাভ কৰিছিল। আনহাতে, ১৯৯১ চনত তেওঁ সাহিত্যৰ ন'বেল বঁটা লাভ কৰিছিল। যোল্লখন উপন্যাস, নাটক, চুটিগল্প, প্ৰবন্ধ আদিত দক্ষিণ আফ্ৰিকাৰ সেই সময়ৰ সমাজ জীৱনৰ চাৰিত্ৰিক বৈশিষ্ট্য গাৰ্ডিমাৰে সফলভাৱে প্ৰতিফলিত কৰিছিল।

## উচ্চতম ন্যায়ালয়ৰ ঘোষণা : শ্বৰীয়ত আদালত বেআইনী

উচ্চতম ন্যায়ালয়ে যোৱা ৭ জুলাই তাৰিখে এক গুৰুত্বপূৰ্ণ ৰায় প্ৰদান কৰি দেশত চলি থক শ্বৰীয়ত আদালতসমূহ বেআইনী বুলি ঘোষণা কৰে। উচ্চতম ন্যায়ালয়ৰ মতে দেশৰ চুকে-কোণে গঢ়ি উঠা শ্বৰীয়ত আদালতসমূহৰ কোনো আইনী মান্যতা নাই। তদুপৰি কোনো ব্যক্তিৰ অধিকাৰ খৰ্ব কৰি এই আদালতসমূহে জাৰি কৰা ফতোৱা বা নিৰ্দেশসমূহো বে-আইনী। দিল্লীৰ অধিবক্তা বিশ্বলোচন মদনে শ্বৰীয়ত আদালতৰ ন্যায্যতা সন্দৰ্ভত ২০০৫ চনত উচ্চতম ন্যায়ালয়ত তৰা এটা গোচৰৰ শুনানি গ্ৰহণ কৰি সৰ্বোচ্চ ন্যায়ালয়ে এই ঐতিহাসিক ৰায় যোৱা ৭ জুলাই তাৰিখে প্ৰদান কৰে। ন্যায়ালয়ৰ ৰায়ত কোৱা হৈছে যে শ্বৰীয়ত আদালতে বহু নিৰ্দোষী ব্যক্তিৰ বিৰুদ্ধে শাস্তি ঘোষণা কৰি আহিছে। কোনো ধৰ্মতেই এনেদৰে নিৰ্দোষী ব্যক্তিক শাস্তি বিহাৰ নিয়ম নাই। কোনো ব্যক্তিৰ মৌলিক অধিকাৰ খৰ্ব কৰিব পৰা ফতোৱা বা নিৰ্দেশ 'ডাৰুল কাজাই' জাৰি কৰিব নোৱাৰে। উচ্চতম ন্যায়ালয়ত গোচৰ তৰা অধিবক্তা মদনে আৱেদনত উল্লেখ কৰিছিল যে 'ডাৰুল কাজা', 'জাৰুল ইফটা' আদি প্ৰতিষ্ঠানে একোখন সমান্তৰাল আদালতৰ দৰেই মুছলমান সম্প্ৰদায়ৰ মানুহৰ মৌলিক অধিকাৰ সন্দৰ্ভত নিৰ্দেশ বা ফতোৱা জাৰি কৰে। উচ্চতম ন্যায়ালয়ে চলিত বৰ্ষৰ ফেব্ৰুৱাৰিত গোচৰটোৰ শুনানি গ্ৰহণ কৰিছিল যদিও গোচৰটোৰ ৰায় সংৰক্ষিত ৰাখিছিল।

## বিশ্বৰ এক-তৃতীয়াংশ দৰিদ্ৰই ভাৰতৰ

অলপতে ৰাষ্ট্ৰসংঘই প্ৰকাশ কৰা এক প্ৰতিবেদনত উন্মোচিত হৈছে ভাৰতৰ অৰ্থনীতিৰ এখন উদ্বেগজনক চিত্ৰ। ৰাষ্ট্ৰসংঘৰ এক প্ৰতিবেদনত প্ৰকাশিত তথ্য অনুসৰি বিশ্বৰ মুঠ চৰম দৰিদ্ৰৰ এক-তৃতীয়াংশ লোক ভাৰতীয়। চৰকাৰী তথ্য অনুসৰি ভাৰতৰ প্ৰায় ৩১ শতাংশ লোকে দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে। আনহাতে ভাৰতৰ মুঠ জনসংখ্যাৰ ৬০ শতাংশৰ এতিয়াও কোনো শৌচালয় নাই। উক্ত প্ৰতিবেদনৰ তথ্য অনুসৰি বিশ্বৰ প্ৰসূতিজনিত ৰোগত মৃত্যু হোৱা মুঠ মহিলাৰ ১৭ শতাংশই হ'ল ভাৰতৰ। দৰিদ্ৰতা নিৰ্মূলৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লোৱা চীনৰ নামো অন্তৰ্ভুক্ত হৈছে এই প্ৰতিবেদনত। ৰাষ্ট্ৰসংঘৰ তথ্য মতে ২০১০ চন পৰ্যন্ত চৰম দৰিদ্ৰৰ গৃহ আবণ্টনৰ বিফলতাৰ ক্ষেত্ৰত ভাৰতৰ পিছতে আছে চীন। বিশ্বৰ গৃহহীনসকলৰ ১৭ শতাংশ লোক বাস কৰে চীনত। অনুৰূপ ধৰণেৰে বিশ্বৰ গৃহহীনসকলৰ ৯ শতাংশ নাইজেৰিয়াৰ, ৫ শতাংশ বাংলাদেশৰ বাসিন্দা। নতুন দিল্লীত ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদনখনৰ এই তথ্য ৰাজহুৱাকৈ প্ৰকাশ কৰিছে ভাৰত চৰকাৰৰ সংখ্যালঘু উন্নয়ন দপ্তৰৰ মন্ত্ৰী নাজমা হেপাতুল্লাই।

## গাজা ষ্ট্ৰীপত ইজৰাইলৰ আক্ৰমণ

যোৱা ৭ জুলাইত ইজৰাইলী সেনাই বিমানযোগে গাজা ষ্ট্ৰীপত হামাছ নামৰ পেলেষ্টাইনী সন্ত্ৰাসবাদীৰ

ঘাটিত অভিযান আৰম্ভ কৰে। এই অপ্ৰত্যাশিত আক্ৰমণত হামাছ্ৰ ৭ জন সদস্য নিহত হয়। উল্লেখযোগ্য যে কেইদিনমান পূৰ্বে ইজৰাইলৰ তিনিটি আৰু পেলেষ্টাইনৰ এটি কিশোৰক অচিনাক্ত লোকে অপহৰণ কৰি নি হত্যা কৰাৰ পৰিণতিতে এই ভয়ংকৰ আক্ৰমণ সংঘটিত হৈছে। যোৱা ৭ জুলাইৰপৰা হামাছ উগ্ৰপন্থীয়ে ইহুদি দেশখনলৈ প্ৰায় ১০০০ ৰকেট আৰু মৰ্টাৰ নিক্ষেপ কৰাৰ বিপৰীতে ইজৰাইলে গাজা ষ্ট্ৰীপৰ অভ্যন্তৰত ১৫০০ৰো অধিক লক্ষ্যত আঘাত হানে। অবৰুদ্ধ পেলেষ্টাইনী ভূখণ্ডত ইজৰাইলী অভিযানত এতিয়ালৈকে প্ৰায় ৮০০ জন লোকৰ প্ৰাণনাশ হৈছে। ইপিনে ইজৰাইলৰ ভূমিলৈ লক্ষ্য কৰি লেবাননে ৰকেট নিক্ষেপ কৰে। একে সময়তে গাজাত ইজৰাইলে চলোৱা বায়ু আৰু নৌ আক্ৰমণৰ প্ৰতিবাদত তুৰস্কৰ ৰাজধানী ইষ্টানবুলৰ ৰাজপথত সহস্ৰাধিক পেলেষ্টাইনৰ সমৰ্থকে ইজৰাইল বিৰোধী প্ৰতিবাদী কাৰ্যসূচী অব্যাহত ৰাখিছে। ৰাষ্ট্ৰ সংঘই এই বিবাদ সমাধান কৰিবলৈ আগবঢ়োৱা প্ৰস্তাৱ ইজৰাইলে গ্ৰহণ কৰিছে যদিও হামাছ উগ্ৰপন্থীয়ে এই শান্তি প্ৰস্তাৱ পোনচাতেই প্ৰত্যাখ্যান কৰিছে।

## কেলিফ'ৰ্নিয়া বিশ্ববিদ্যালয়ৰ মুখ্য জনসংযোগ বিষয়াৰ পদত প্ৰবাসী ভাৰতীয় মহিলা

আমেৰিকা যুক্তৰাজ্যৰ কেলিফ'ৰ্নিয়া বিশ্ববিদ্যালয়ৰ মুখ্য জনসংযোগ বিষয়া হিচাপে নিযুক্তি লাভ কৰিছে আমেৰিকা নিবাসী, প্ৰবাসী ভাৰতীয় মহিলা ভিজি মুৰালীয়ে। বিশ্ববিদ্যালয়খনে তেওঁক লগতে তথ্য আৰু শৈক্ষিক প্ৰযুক্তিবিদ্যা বিভাগৰ মুৰব্বীৰ দায়িত্বও অৰ্পণ কৰিছে। এই নিযুক্তিৰ তথ্য প্ৰকাশ কৰিছে কেলিফ'ৰ্নিয়া বিশ্ববিদ্যালয়ৰ আচাৰ্য লিণ্ডা পি বি কোটোহিয়ে। হায়দৰাবাদত জন্মগ্ৰহণ কৰা মুৰালীয়ে হায়দৰাবাদস্থিত ওছমানিয়া বিশ্ববিদ্যালয়ৰপৰা স্নাতক ডিগ্ৰী লাভ কৰাৰ উপৰি ওছমানিয়া কলেজ অৱ ছায়েঞ্চৰপৰা জৈৱ ৰসায়ন বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল।

## গুৱাহাটীত মহিলা বাছ সেৱা আৰম্ভ

সম্পূৰ্ণৰূপে মহিলাৰ বাবে সংৰক্ষিত চিটি বাছ সেৱা যোৱা ২৩ জুলাই তাৰিখে গুৱাহাটীত শুভাৰম্ভ কৰা হয়। এই সেৱা মুকলি কৰে ৰাজ্যখনৰ মুখ্য সচিব জীতেশ খোচলাই। ঐতিহাসিক জৰ্জ খেলপথাৰত অনুষ্ঠিত শুভাৰম্ভৰ এই অনুষ্ঠানত উপস্থিত থাকে যশস্বী অভিনেত্ৰী জেৰিফা ৱাহিদ প্ৰমুখ্যে কেবাগৰাকী বিষয়া আৰু বিশিষ্ট অতিথি। এই বাছ সেৱা কামৰূপ জিলা (মহানগৰ) আৰু জিলা পৰিবহন বিভাগৰ যৌথ উদ্যোগত আৰম্ভ কৰা হৈছে। সদ্যহতে ছখন ব্যক্তিগত খণ্ডৰ আৰু দুখন পৰিবহন নিগমৰ বাছৰ জৰিয়তে এই মহিলা বাছসেৱা আৰম্ভ কৰা হৈছে। এই সেৱা জৰ্জ খেলপথাৰৰপৰা খানাপাৰালৈ ৰাতিপুৱা ৭ বজাৰপৰা ১১ বজালৈ আৰু আবেলি ৩ বজাৰপৰা ৮ বজালৈ প্ৰতিদিনে উপলব্ধি হ'ব। প্ৰতিখন বাছত চি চি কেমেৰা আৰু মহিলা আৰক্ষী উপস্থিত থাকিব। মহিলাৰ লগতে ৮ বছৰৰ তলৰ শিশুসকলেও এই সেৱা লাভ কৰিব পাৰিব। এই সেৱাৰ অন্তৰ্গত বাছসমূহৰ সকলো কৰ্মচাৰী মহিলা।

## গ্লাছগো কমনৱেলথ গেমছ আৰম্ভ

বিংশতিতম কমনৱেলথ গেমছ যোৱা ২৪ জুলাই তাৰিখে আড়ম্বৰপূৰ্ণভাৱে স্কটলেণ্ডৰ গ্লাছগো (Glasgow) চহৰৰ কেলটিক ষ্টেডিয়ামত আৰম্ভ হয়। এই ক্ৰীড়াসমাৰোহ ১১ দিন ধৰি চলিব। এই ক্ৰীড়া উৎসৱত ৭১ খন দেশৰ ৪৯২৯ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে। কমনৱেলথ দেশসমূহৰ মুৰব্বী ৰাণী দ্বিতীয় এলিজাবেথে এই ক্ৰীড়া মহোৎসৱ আৰম্ভ হোৱা বুলি আনুষ্ঠানিকভাৱে ঘোষণা কৰে। স্কটলেণ্ডে তৃতীয়বাৰৰ বাবে এই ক্ৰীড়া সমাৰোহ অনুষ্ঠিত কৰাৰ গৌৰৱ অৰ্জন কৰিছে। এই বৃহৎ অনুষ্ঠানটোৰ সৰ্বমুঠ খৰচ ১০০ বিলিয়ন আমেৰিকা ড'লাৰ ধাৰ্য কৰা হৈছে। ৰাষ্ট্ৰসংঘৰ ইউনিচিফৰ গ্ল'বেল গুডউইল এম্বেচাডৰ (Global Goodwill Ambassador) হিচাপে ক্ৰিকেটৰ কিংবদন্তী শচীন টেণ্ডুলকাৰৰদ্বাৰা প্ৰস্তুত কৰা তথ্যচিত্ৰ এখন প্ৰদৰ্শন

কৰা হয়। এই তথ্যচিত্ৰখনৰ বিষয়বস্তু আছিল বিশ্বৰ শিশুসকলৰ বাবে দান-বৰঙণি সংগ্ৰহৰ বাবে অনুপ্ৰেৰণা যোগোৱা। যোৱা ১৯ ৰতম কমনৱেলথ গেমছ ভাৰতত অনুষ্ঠিত হৈছিল। এইবাৰ এই ক্ৰীড়া সমাৰোহত ভাৰতীয় দলৰ ফ্লেগ বিয়েৰাৰ হিচাপে দায়িত্ব বহন কৰিছে অলিম্পিত ৰূপৰ পদক বিজয়ী ষ্টুটাৰ বিজয় কুমাৰে। অহা ২১ তম কমনৱেলথ খেল অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'ব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ❑

# ক্ৰীড়া জগতৰ পিতামহ পুলিন দাসৰ পৰলোক



অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ক্ৰীড়া ক্ষেত্ৰৰ পিতামহস্বৰূপ, ৰাজ্যৰ বিশিষ্ট ক্ৰীড়াবিদ, ক্ৰীড়া সংগঠক পুলিন দাসৰ যোৱা ১৬ জুলাই তাৰিখে মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৬ বছৰ। অসমৰ প্ৰথমজন ক্ৰীড়া সাংবাদিক দাসৰ জন্ম হৈছিল ১৯১৮ চনৰ ১ নৱেম্বৰত গুৱাহাটীৰ উজান বজাৰত। পিতৃৰ নাম আছিল নবীন চন্দ্ৰ দাস। বাল্যকালৰেপৰা ক্ৰিকেট, ফুটবলৰ লগতে বিভিন্ন খেল-ধেমালিত পাৰ্গতালি দেখুওৱা প্ৰয়াত দাস অসমৰ ৰাজ্যিক দলৰ হৈ ১৯৪৯ আৰু ১৯৫১ চনত ৰঞ্জী ট্ৰফী ক্ৰিকেটত উন্নত প্ৰদৰ্শন আগবঢ়াইছিল। বয়স বৃদ্ধি সত্ত্বেও শাৰীৰিক সক্ষমতা অক্ষুণ্ণ ৰখাৰ বাবে তেওঁ আমৃত্যু পৰ্যন্ত ল'ন টেনিছ খেলি যায়। ১৯৪৭ চনত তেওঁৰ উদ্যোগতে 'অসম ক্ৰিকেট সন্থা' (ACA) জন্ম হৈছিল। লগতে তেওঁ সংগঠনটোৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক আছিল। আনহাতে তেওঁৰ নেতৃত্বতে ১৯৫২ চনত অসমৰ ফুটবল ক্ষেত্ৰৰ আটাইতকৈ বৃহৎ টুৰ্ণামেণ্ট 'বৰদলৈ ট্ৰফী' আৰম্ভ হয়। গুৱাহাটী টাউন ক্লাবৰ অন্যতম জন্মদাতা প্ৰয়াত দাস ১৯৫৮ চনত গঠন হোৱা গুৱাহাটী ক্ৰীড়া সন্থাৰো প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক আছিল। ১৯৮৩ চনত চৰকাৰৰ ক্ৰীড়া পেঞ্চন লাভ কৰা দাস অসমৰ প্ৰথমজন ক্ৰীড়া সাংবাদিক। কলকাতাৰপৰা প্ৰকাশিত 'আনন্দ বাজাৰ পত্ৰিকা', 'অমৃত বাজাৰ পত্ৰিকা', 'ষ্টেট্‌ছমেন'ৰ দৰে কেইবাখনো আগশাৰীৰ কাকতত ফ্ৰী-লেন্সাৰ হিচাপে তেওঁ সেৱা আগবঢ়াইছিল। ১৯৫৪ চনত তেওঁ সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ আমন্ত্ৰণক্ৰমে 'দ্য আছাম ট্ৰিবিউন' দৈনিক কাকতখনত যোগদান কৰিছিল। ১৯৮২ চনত তেওঁ সাংবাদিকতাৰপৰা অৱসৰ লয়।

তেওঁৰ মূল্যবান কৰ্ম-সাধনাৰ স্বীকৃতি স্বৰূপে অসম ক্ৰিকেট সন্থাই ২০১৩ চনত তেওঁক 'জীৱনজোৰা সাধনা বঁটা' আৰু অসম ক্ৰীড়া সন্থাই 'ক্ৰীড়া মহীৰূহ' সন্মান প্ৰদান কৰে। অসম চৰকাৰে এই পুৰোধা ক্ৰীড়াবিদজনৰ স্মৃতিত এটি ৰাজ্যিক ভিত্তিত ক্ৰীড়া বঁটা অনুষ্ঠিত কৰিব বুলি ঘোষণা কৰিছে। ❑

**সংগ্ৰহ : কুশল গোস্বামী**

**তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ (ষষ্ঠ সংখ্যা, জুলাই, ২০১৪)**

১। Central Intelligence Agency (USA) ২। আমেৰিকা ৩। ৩১ মে' ৪। ঘৰচিৰিকা ৫। ইমৰাণ খান

## খবৰৰ লেছেৰি বোটলা

**(২১ জুনৰপৰা ২০ জুলাইলৈ)**

**২২ জুন :** ৰতন টাটালৈ কানাডাৰ য়ৰ্ক বিশ্ববিদ্যালয়ৰ সন্মানীয় ডক্টৰেট ডিগ্ৰী।

**২৩ জুন :** জনপ্ৰিয় তামিল চলচ্চিত্ৰ নিৰ্মাতা, পৰিচালক ৰামনাৰায়ণৰ মৃত্যু। ১২৫ খন চলচ্চিত্ৰ পৰিচালনা কৰি তেখেতে বিশ্ব অভিলেখ স্থাপন কৰিছিল।

- ইউনেস্কৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত গুজৰাটৰ ‘ৰাণী কে ভাৰ’ৰ স্থান লাভ। ১১শ শতিকাত নিৰ্মিত সাতমহলীয়া ‘ৰাণী কে ভাৰ’ত গুজৰাটৰ শিল্প আৰু ভাস্কৰ্যৰ অপূৰ্ব চানেকি আছে।

**২৬ জুন :** শ্বাহৰুখ খানলৈ ফ্ৰান্সৰ সৰ্বোচ্চ সন্মান ‘লিজিয়ন অব় ফ্ৰান্স’।

**৩০ জুন :** ভাৰতৰ মহাকাশ গৱেষণা সংস্থাই ‘পিএছএল ভিচি-২৩’ নামৰ ৰকেটৰ জৰিয়তে বিদেশী ৰাষ্ট্ৰৰ পাঁচটাকৈ কৃত্ৰিম উপগ্ৰহ মহাকাশত সংস্থাপন কৰে।

**১ জুলাই :** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্বৰ্ণজয়ন্তী উৎসৱ আৰম্ভ। স্থাপন ১৯৬৫ চনত।

- বিশিষ্ট বাঁহীবাদক প্ৰভাত শৰ্মালৈ ‘আৱাহন’ থিয়েটাৰৰ তৰফৰপৰা ভবেন্দ্ৰনাথ শইকীয়া বঁটা আগবঢ়োৱা হৈছে।

**২ জুলাই :** পাকিস্তানী শান্তিকামী, সাহস আৰু সংগ্ৰামৰ প্ৰতীক মালালা ইউচুফজাইলৈ ‘লিবাৰটি পদক’ (Liberty Medal)।

**৬ জুলাই :** ন’ভাক জক’ভিছৰ উইম্বলডন ট্ৰফী জয়।

- ইৰাকৰ সন্ত্ৰাসবাদী সংগঠন ‘আইছিছ’ৰ কৱলৰপৰা মুক্ত হৈ ভাৰত পালেহি ৪৬ গৰাকী ভাৰতীয় নাৰ্ছ।

**৭ জুলাই :** ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ ঘোষণা—শ্বৰীয়ত আদালত বেআইনী।

**৮ জুলাই :** কেন্দ্ৰীয় চৰকাৰৰ ৰে’ল বাজেট সংসদত দাখিল। অসমলৈ ৭ খন নতুন ৰেল।

**১০ জুলাই :** কিংবদন্তী অভিনেত্ৰী জোহ্ৰা চেহগালৰ ১০২ বছৰত মৃত্যু।

**১১ জুলাই :** ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদনত প্ৰকাশ—দিল্লী পৃথিৱীৰ ভিতৰত দ্বিতীয় জনবহুল মহানগৰী। প্ৰথমস্থানত টকিঅ’।

- চীনৰ ৰাষ্ট্ৰীয় সংবাদ মাধ্যমত প্ৰকাশ যে আইফ’ন (Iphone) ৰাষ্ট্ৰীয় সুৰক্ষাৰ প্ৰতি ভাবুকিস্বৰূপ।
- গণিতৰ ৫০ বছৰ পুৰণি সমস্যা সমাধান কৰি পুৰস্কৃত হ’ল ভাৰতীয় যুৱক নিখিল শ্ৰীবাস্তৱ। সমস্যাটোৰ নাম হ’ল ‘কেডিচন চিংগেৰ প্ৰব্লেম।’

**১২ জুলাই :** মাৰ্গাৰেট আলভাৰ গোৱাৰ নতুন ৰাজ্যপাল হিচাবে শপত গ্ৰহণ।

- ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনৰ কিউবা ভ্ৰমণ। ৰাষ্ট্ৰনেতা ফিডেল কেষ্ট্ৰোৰ স’তে সাক্ষাৎ।

**১৪ জুলাই :** সত্তৰ দশকতে ‘অভিযান’ নামৰ অসমীয়া কথাছবি নিৰ্মাণ কৰি খলকনি সৃষ্টি কৰা চলচ্চিত্ৰ পৰিচালক আৰু অভিনেতা প্ৰমোদ বৰুৱাৰ যোৱা ১৭ জুলাই তাৰিখে বৃক্কজনিত ৰোগত মৃত্যু হয়।

- দক্ষিণ আফ্ৰিকাক বৰ্ণ বৈষম্যৰ প্ৰতিবাদী কণ্ঠ, আপোচবিহীন লেখিকা, সাহিত্যৰ ন’বেল বঁটা প্ৰাপক নাডিন গাৰ্ডিমাৰৰ মৃত্যু।
- জাৰ্মানী বিশ্বকাপ বিজয়। আৰ্জেণ্টিনাৰ বিৰুদ্ধে একমাত্ৰ গ’লটো দিয়ে মাৰিঅ’ গ’ৎজে।

**১৫ জুলাই :** প্ৰসিদ্ধ পৰিবেশবিদ চণ্ডীপ্ৰসাদ ভাটক ‘গান্ধী শান্তি বঁটা’ প্ৰদান। ভাট চিপকো আন্দোলনৰ বাটকটীয়া।

- নাবালক আইন কঠোৰ হোৱাৰ সপক্ষে উচ্চতম ন্যায়ালয়। বয়সৰ দোহাই দি যাতে কোনো সাৰি যাব নোৱাৰে, তাৰ বাবে আইনখন কঠোৰ হ’ব লাগে বুলি উচ্চতম ন্যায়ালয়ৰ ঘোষণা।

**১৬ জুলাই :** বিশিষ্ট ক্ৰীড়া সাংবাদিক আৰু সংগঠক পুলিন দাসৰ মৃত্যু।

**১৭ জুলাই :** এখন মালয়েছিয়ান জেট প্লেন ইউক্ৰেইনত দুৰ্ঘটনাগ্ৰস্ত। ২৯৫ জন যাত্ৰীৰ মৃত্যু। ❑

**সংগ্ৰহ : জয়ন্ত ডেকা**

## বৰেণ্য সাহিত্যিক

# ড° বিৰিঞ্চি কুমাৰ বৰুৱা

■ **অপৰাজিতা বৰা**



ড° বিৰিঞ্চি কুমাৰ বৰুৱা অসমৰ সাহিত্য আকাশৰ এক জিলিকি থকা নাম। এই বৰেণ্য গদ্যশিল্পীগৰাকী বিংশ শতিকাত 'আবাহন' (১৯২৯) আলোচনীৰ যোগেদি জনপ্ৰিয় হৈ উঠিছিল। বীণা বৰুৱা আৰু ৰাস্না বৰুৱা ছদ্মনাম লৈ তেখেতে আবাহনত গল্প, উপন্যাস লিখিছিল। গল্প, উপন্যাস আৰু আলোচনাত্মক সৃষ্টিৰ জৰিয়তে বিশেষ খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হোৱা বৰুৱাদেৱৰ গ্ৰাম্য আৰু নগৰীয়া উভয় জীৱনত চিত্ৰ অংকন কৰোতে দেখুওৱা দক্ষতা আছিল অননুকৰণীয়। গল্প ৰচনাৰ যোগেদি জনপ্ৰিয় হৈছিল যদিও বৰুৱাদেৱ আধুনিক যুগৰ এগৰাকী শ্ৰেষ্ঠ ঔপন্যাসিকো। বীণা বৰুৱা ছদ্মনামত লিখা 'জীৱনৰ বাটত' উপন্যাসখন অসমীয়া উপন্যাস সাহিত্যৰ এক কালজয়ী কৃতি। অসমীয়া উপন্যাস সাহিত্যৰ মাইলৰ খুঁটিস্বৰূপ এই উপন্যাসখনত অসমীয়া গ্ৰাম্য সমাজৰ এক নিখুঁত ছবি পাতে পাতে চিত্ৰিত হৈছে। একক আৰু অনন্য এই উপন্যাসখনে বৰুৱাদেৱক অসমীয়া সাহিত্য জগতত সদায় বৰণীয় আৰু স্মৰণীয় কৰি ৰাখিছে আৰু আগলৈকো ৰাখিব। ৰাস্না বৰুৱা ছদ্মনামত লিখা 'সেউজী পাতৰ কাহিনী' নামৰ উপন্যাসখনত বৰ্ণিত হৈছে চাহ বাগিচাৰ জনসমাজৰ সজীৱ ছবি। সেইদৰে 'প্ৰফেচাৰ বৰুৱাৰ চিঠি' গ্ৰন্থখন পত্ৰৰূপত ভ্ৰমণ কাহিনী হৈও উপন্যাসৰ দৰেই অনুপম। বৰুৱাদেৱৰ যাদুকৰী গদ্যৰ পৰশত প্ৰতিটো ৰচনাই হৈ উঠিছিল সুখপাঠ্য।


কেৱল গল্প, উপন্যাসৰ ক্ষেত্ৰতেই নহয়, সাহিত্য-সংস্কৃতিৰ আলোচনা, ভাষা-তত্ত্বৰ বিচাৰ, লোক-সংস্কৃতিৰ অধ্যয়ন আদি দিশতো বৰুৱাদেৱৰ অৰিহণা লেখত ল'বলগীয়া। অসমীয়া সংস্কৃতিৰ গৱেষণা আৰু অসমত সংস্কৃতি চৰ্চাৰ পদ্ধতিগত অধ্যয়নৰ তেখেত বাটকটীয়া আছিল। সংস্কৃতিৰ অধ্যয়ন তথা গৱেষণা বৰুৱাদেৱৰ উশাহ-নিশাহৰ দৰে আছিল। এই দিশত তেখেতে ৰাষ্ট্ৰীয় পৰ্যায়তে নহয়, আন্তৰ্জাতিক পৰ্যায়তো খ্যাতি আৰ্জিছিল। উল্লেখযোগ্য যে ১৯৬৪ চনত 'অসমৰ লোক-সংস্কৃতি' নামৰ গ্ৰন্থখনৰ বাবে তেখেতক মৰণোত্তৰভাৱে সাহিত্য অকাডেমি বঁটাৰে সন্মানিত কৰা হৈছিল।

১৯০৮ চনত জন্মগ্ৰহণ কৰি ১৯৬৪ চনত মৃত্যুবৰণ কৰা ড° বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে বছৰৰ লেখেৰে পাইছিল মাত্ৰ দুকুৰি যোল্লটা বছৰ। ভাবি আচৰিত হ'ব লাগে যে এই অল্পায়ু জীৱনতে তেখেতে বিভিন্ন ক্ষেত্ৰত, বিভিন্ন ৰূপত বিপুল পৰিমাণৰ কাম সম্পাদন কৰি অসমৰ বৌদ্ধিক আৰু সাংস্কৃতিক জগতখনক সমৃদ্ধ কৰি গৈছে। বৰুৱাদেৱ আছিল একাধাৰে ঔপন্যাসিক, গল্পকাৰ, নাট্যকাৰ, প্ৰবন্ধকাৰ, অনুবাদক, শিশু সাহিত্যিক, ভ্ৰমণ আৰু জীৱনী সাহিত্য ৰচক, গ্ৰন্থ-আলোচনীৰ সম্পাদক তথা সংকলক, ভূগোল, বুৰঞ্জী আদি বিষয়ৰ বিদ্যালয়ৰ পাঠ্যপুথি লেখক, সৰ্বোপৰি লোক-সংস্কৃতিৰ আজীৱন গৱেষক। তেখেতৰ অধীনতে গৱেষণা কৰি অসম মাতৃৰ সু-সন্তান তথা প্ৰথিতযশা সাহিত্যিক, ভাষাবিদ ড° মহেশ্বৰ নেওগ, ড° সত্যেন্দ্ৰ নাথ শৰ্মা, ড° গোলোক গোস্বামীয়ে অসমীয়া ভাষা-সাহিত্যৰ জগতখন চহকী কৰিছে।

ড° বৰুৱাদেৱৰ আন কেইখনমান উল্লেখনীয় গ্ৰন্থ হ'ল—'আঘোণী বাই', 'পট পৰিবৰ্তন', 'কাব্য আৰু অভিব্যঞ্জনা', 'অসমীয়া ভাষা', 'অসমীয়া কথা-সাহিত্য', 'এবেলাৰ নাট', 'ছুইজাৰলেণ্ড ভ্ৰমণ', 'দেশ-বিদেশৰ সাধু', 'Cultural History of Assam, Assamese Literature' আদি। প্ৰতিখন গ্ৰন্থতে তেখেতৰ মনীষা, কল্পনা, পাণ্ডিত্য, ৰস-বোধৰ অপূৰ্ব সমাহাৰ ঘটিছে। আজীৱন শিক্ষক ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ পাণ্ডিত্যই, মনীষাই দেশতেই নহয়, বিদেশতো স্বীকৃতি আৰু সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। ❑

# দ্য লৰ্ড অৱ দ্য ৰিং (The Lord of the Ring)

■ নিশা দেৱী



ৱিকিপেডিয়াৰ তালিকাত বিশ্বৰ সৰ্বাধিক বিক্ৰী হোৱা এশখন জনপ্ৰিয় আৰু মহান উপন্যাসবোৰৰ ভিতৰত আছে জে.আৰ.আৰ. টকিয়েনৰ (J.R.R. Tolkien) 'দা লৰ্ড অৱ দা ৰিং' (The Lord of the Ring)। 'দা লৰ্ড অৱ দা ৰিং'ত বৰ্ণিত হৈছে লিখকৰ আন এখন জনপ্ৰিয় উপন্যাস 'দা হবিট'ৰ (The Hobbit) পিছৰ কাহিনীভাগ। ইংৰাজী ভাষাত লিখা এই উপন্যাসখন প্ৰকাশিত হৈছে তিনিটা ভাগত। প্ৰথম ভাগটো প্ৰকাশিত হয় ১৯৫৪ চনৰ ২৯ জুলাইত। এই ভাগটোৰ নাম হৈছে 'দা ফেল'শ্বিপ অৱ দা ৰিং' (The Fellowship of the Ring)। অন্ধকাৰৰ সম্ৰাট চওৰণে সৃষ্টি কৰা অপশক্তিৰে শক্তিশালী এটি আঙঠি আহি শ্বায়াৰৰ এজন সাধাৰণ লোকৰ হাতত পৰিছে। এই লোকজনৰ নাম ফ্ৰদ' বেগিন্‌চ। এই আঙঠিৰ শক্তি অসাধাৰণ। যিজনে এই আঙঠি পিন্ধিব তাৰ মাজৰ ভালখিনি পলকতে নোহোৱা হৈ যাব; সি হ'ব অন্ধকাৰৰ ক্ষমতাশালী সম্ৰাট। তাৰ হাতত থাকিব পৃথিৱী ধ্বংস কৰাৰ ক্ষমতা। 'মিদল হ'টে'ৰ (য'ত কাহিনীটো আৰম্ভ হৈছে) আৰু পিছলৈ গোটেই পৃথিৱীৰেই গুণী-জ্ঞানী আৰু সজ বহুত ব্যক্তিৰেই উদ্দেশ্য হ'ল এই আঙঠিটোক বেয়া মানুহৰ হাতত পৰাৰপৰা বচাই ৰখা আৰু অনতিপলমেই ইয়াক ধ্বংস কৰা। নিৰ্দিষ্ট স্থানত গৈ তাক ধ্বংস কৰাৰ দায়িত্ব দিয়া হ'ল ফ্ৰদ' বেগিন্‌চক। ইয়াৰ কাৰণ এটাই ফ্ৰদ'য়েই একমাত্ৰ ব্যক্তিত্ব যাৰ সৰল আবেগ-অনুভূতি আৰু ভাল চিন্তাধাৰাৰ ওপৰত এতিয়ালৈকে আঙঠিটোৱে প্ৰভাৱ পেলাব পৰা নাই। ফ্ৰদ'ৰ দীঘলীয়া, বিপদজনক যাত্ৰা আৰম্ভ হয়। ফ্ৰদ'ক সহায় কৰিবলৈ এই যাত্ৰাত ফ্ৰদ'ৰ লগত থাকে চাৰিজন লোক, আৰাগন (এজন মানৱ), গেন্দ'ল'ফ (এজন যাদুকৰ), গিমলী (এজন বাওনা), খেগ'লাছ (এজন ৰাজকোঁৱৰ)। দীঘলীয়া এই যাত্ৰাটোৰ বিভিন্ন ঘটনা বৰ্ণিত হৈছে উপন্যাসখনৰ দ্বিতীয় ভাগটোত। উপন্যাসখনৰ দ্বিতীয় ভাগটো প্ৰকাশিত হয় ১৯৫৪ চনৰ ১১ নৱেম্বৰত। এই ভাগটোৰ নাম হৈছে 'দা টু টাৱাৰ্ছ' (The two Towers)। উপন্যাসখনৰ শেষৰটো ভাগত ফ্ৰদ' অকলশৰেই উপস্থিত হৈছে চওৰণৰ বিপদজনক ঘাটিত। ইয়াতেই আছে আঙঠিটোক ধ্বংস কৰিব পৰা সেই বিশেষ অগ্নিপিণ্ড। পিছে ইতিমধ্যেই ফ্ৰদ'ক নিজৰ আয়ত্তলৈ আনিব ধৰিছে আঙঠিটোৰ শক্তিয়ে। ফ্ৰদ'য়ে আঙঠিটো ধ্বংস কৰিব পাৰিছেনে? কি পৰিণতি হৈছে ফ্ৰদ'ৰ লগত যোৱা বীৰ, সাহসী যোদ্ধাসকলৰ? কাহিনীটোক শেষ কৰা এই তৃতীয় আৰু অন্তিম ভাগটোৰ নাম হৈছে 'দা ৰিটাৰ্ণ অৱ দা কিং' (The Return of the King)।

বিশ্বজুৰি ১৫ কোটি কপিতকৈও বেছি বিক্ৰী হোৱা এই উপন্যাসখন শিশুৰপৰা বয়োবৃদ্ধ সকলোৰে মাজতেই প্ৰিয়। লিখকৰ চমৎকাৰ কল্পনাশক্তি আৰু বৰ্ণনাশৈলীয়ে কিতাপখনক মনোগ্ৰাহী কৰি তুলিছে। উপন্যাসখনৰ কাহিনীভাগৰ আধাৰত তিনিখনকৈ সফল ইংৰাজী ভাষাৰ বোলছবি নিৰ্মিত হৈছে। ❑

# তিৰুপতি বালাজী বা বেংকটেশ্বৰ মন্দিৰ

■ চন্দনা মেধি চৌধুৰী



ভাৰতৰ প্ৰসিদ্ধ তীৰ্থস্থানবোৰৰ ভিতৰত অন্যতম হ'ল অন্ধ্ৰপ্ৰদেশৰ চিতোৰ জিলাত অৱস্থিত তিৰুপতি বালাজী। সমুদ্ৰপৃষ্ঠৰপৰা ৩,২০০ ফুট উচ্চতাত তিৰুমালা পাহাৰৰ বেংকটাদ্ৰী নামৰ ৭ নং চূড়াটোত বালাজী বা বেংকটেশ্বৰ মন্দিৰ অৱস্থিত। দক্ষিণ ভাৰতীয় স্থাপত্য কলাৰে এই মন্দিৰটো নিৰ্মাণ কৰা হৈছিল। তামিল ভাষাত তিৰু অৰ্থাৎ থিৰু শব্দৰ সংস্কৃত ভাষাৰ অৰ্থ হ'ল শ্ৰী। শ্ৰী শব্দটো ধন-সমৃদ্ধিক বুজাবলৈ ব্যৱহাৰ কৰা হয়।

কথিত আছে যে, এই মন্দিৰটোত গভীৰ বিশ্বাসেৰে ভগৱান তিৰুপতি বালাজীক যি বিচৰা হয় ভক্তৰ সেই মনোকামনাই পূৰ্ণ হয়। ভক্তই ভগৱানক উছৰ্গা হিচাপে ধন আৰু নিজৰ চুলি আগবঢ়ায়। পৃথিৱীৰ অন্যতম তীৰ্থস্থান ৰোম, মক্কা আৰু জেৰুজালেমৰ তীৰ্থযাত্ৰীৰ সংখ্যাতকৈও এই মন্দিৰৰ তীৰ্থযাত্ৰীৰ সংখ্যা বেছি হোৱা পৰিলক্ষিত হয়। ভাৰতৰ ঐশ্বৰ্যশালী মন্দিৰবোৰৰ ভিতৰত এই মন্দিৰটো অন্যতম। মন্দিৰটোৰ বাৰ্ষিক আয় ৬৫০ কোটি। দৈনিক প্ৰায় ১০০০ দৰ্শনাৰ্থী ইয়ালৈ আহে। ঘাইকৈ বৈকুণ্ঠ একাদশীৰ দিনা তীথযাত্ৰীসকলে প্ৰভুক দৰ্শন কৰিবলৈ আহে।

মন্দিৰটো নিৰ্মাণ কৰিছিল থনডাইমণ্ডলম নামৰ এখন ৰাজ্যৰ (ৰাজধানী- মহাবলিপূৰম, বৰ্তমানৰ চেন্নাইৰ দক্ষিণফালে) থনডাইমন নামৰ এজন পল্লৱ শাসকে। কথিত আছে যে তেওঁ হেনো সপোনত ভগৱান বিষ্ণুক দেখাৰ পিছত এই মন্দিৰটোৰ নিৰ্মাণ কৰিছিল।

এই মন্দিৰটো নিৰ্মাণৰ বাবে দক্ষিণ ভাৰতৰ কেইবাটাও ৰাজ বংশই দায়িত্ব গ্ৰহণ কৰিছিল। যেনে— কাঞ্চীপূৰমৰ পল্লৱ, তাঞ্জোৰৰ চোল, মাদুৰাইৰ পাণ্ড্য। বিজয়নগৰৰ শাসকসকলে এই মন্দিৰটোৰ নিৰ্মাণৰ বাবে বিভিন্ন সময়ত বিভিন্ন ধৰণৰ সহায় আগবঢ়াইছিল। পৰৱৰ্তী কালত মাৰাঠা, মহীশূৰৰ শাসক, মুছলমান শাসকসকল আৰু ইংৰাজসকলেও ইয়াৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব লৈছিল। ১৯৩২ চনত তিৰুমালা তিৰুপতি দেৱস্থানম নামৰ সংগঠন এটাৰ হাতত মন্দিৰটোৰ পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰা হয়।

দ্ৰাবিড়ীয় মন্দিৰবোৰৰ ভিতৰত তিৰুপতি বালাজী হ'ল এক অন্যতম নিদৰ্শন। মন্দিৰটোৰ নিৰ্মাণশৈলীত আমি ইণ্ডো-ইছলামীয় স্থাপত্য বিদ্যাৰ ধাৰা দেখিবলৈ পাওঁ। মন্দিৰটোৰ অন্যতম আকৰ্ষণ বিন্দু হ'ল 'গোপুৰম' অৰ্থাৎ চৌহদৰ চাৰিওফালে থকা বেৰৰ সৈতে সংযোগী 'ৰাজকীয় প্ৰৱেশদ্বাৰ।' প্ৰৱেশদ্বাৰখনৰ তলৰ অংশ চৌকোণীয়া, ওপৰৰ অংশ স্তম্ভাকৃতিৰ। ইয়াত শিলেৰে নিৰ্মিত, বিভিন্ন দেৱ-দেৱীৰ নক্সা খোদিত কৰা আছে।

বিমানম হ'ল মন্দিৰটোৰ মুখ্য অংশ। দেখাত স্তম্ভাকৃতিৰ, তলৰছোৱা চাৰিচুকীয়া, শীৰ্ষাংশ বা চূড়াটো পিৰামিড আকৃতিৰ আৰু সোণৰ। ইয়াৰ ঠিক তলতেই পোনে পোনে গৰ্ভগৃহ বা মন্দিৰটোৰ পৱিত্ৰ স্থান আছে, য'ত বেংকটেশ্বৰৰূপী ভগৱান বিষ্ণুৰ প্ৰধান মূৰ্তিটো আছে।

মন্দিৰটোৰ চৌহদৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য হ'ল কেইবাটাও সৰু সৰু মন্দিৰ আৰু গৰ্ভগৃহৰ মাজত অৱস্থিত কেইবাখনো মণ্ডপ। মণ্ডপবোৰৰ ভিতৰত উল্লেখযোগ্য মণ্ডপকেইখন হ'ল—প্ৰতিমা মণ্ডপ, ৰংগ মণ্ডপ, শালুভ নৰসিংহ মণ্ডপ, ধ্বজস্তম্ভ মণ্ডপ, কল্যাণ মণ্ডপ, অৰ্ধ মণ্ডপ, স্নপন মণ্ডপ ইত্যাদি।

ভক্তসকলে প্ৰদক্ষিণ কৰাৰ বাবে মন্দিৰৰ চৌহদত 'প্ৰদক্ষিণম' বুলি বিশেষ কিছুমান স্থান বা অংশ আছে। যেনে—বিমান প্ৰদক্ষিণম, চম্পঞ্জী প্ৰদক্ষিণম ইত্যাদি।

চৌহদৰ ভিতৰত কেইবাটাও সৰু সৰু মন্দিৰ আছে, যেনে—ভৰদৰাজস্বামী মন্দিৰ, লক্ষ্মী মন্দিৰ, ৰামানুজ মন্দিৰ, শ্ৰীনৰসিংহস্বামী মন্দিৰ ইত্যাদি। ইয়াৰ কাৰুকাৰ্য চালে চকুতলগা বিধৰ।

এই মন্দিৰৰ আন এটা বিশেষত্ব হ'ল বিভিন্ন আৰ্হিৰে নিৰ্মিত মূৰ্তিবোৰ। ইয়াত ভগৱানৰ মূৰ্তিৰ বাহিৰেও বিভিন্ন সময়ৰ দক্ষিণ ভাৰতৰ শাসক তথা ৰাণীৰ মূৰ্তিও আছে। চৌহদৰ ভিতৰত যজ্ঞশালা নামৰ এক নিৰ্দিষ্ট অংশত ব্ৰহ্মোৎসৱ আৰু আন বিভিন্ন উৎসৱক কেন্দ্ৰ কৰি হোৱা যজ্ঞবোৰ অনুষ্ঠিত কৰা হয়। ❑

## অসমীয়া যুৱ বিজ্ঞানীৰ কৃতিত্ব



অধিক কাৰ্যক্ষম এণ্টিবায়'টিক আৱিষ্কাৰেৰে শেহতীয়াকৈ বিদেশত উজলিছে অসমৰ এগৰাকী প্ৰতিভাধৰ যুৱ বিজ্ঞানী। নাম তেওঁৰ ড° মুকুট গোহাঁই। চিকিৎসা বিজ্ঞানৰ গৱেষণাত বহুদূৰ আগুৱাই এতিয়া জাৰ্মানীৰ বিদ্বান সমাজত সন্মান আৰু গুৰুত্ব বঢ়াবলৈ সক্ষম হৈছে এইগৰাকী অসম সন্তান। জীৱনদায়িনী আৰু অধিক কাৰ্যক্ষম এণ্টিবায়'টিক আৱিষ্কাৰেৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত চৰ্চিত হৈছে ড° গোহাঁই। জাৰ্মানীৰ শীৰ্ষ পৰ্যায়ৰ ঔষধ গৱেষণা প্ৰতিষ্ঠান অলেক্ৰা থেৰাপেটিকছ বায়'ফাৰ্মাচিটিউকেলে গোহাঁইৰ পেটেণ্ট ক্ৰয় কৰি ঔষধৰ বজাৰ দখল কৰাৰ দিশে অগ্ৰসৰ হৈছে। উল্লেখযোগ্য যে বেক্টেৰিয়াৰ ক্ৰমবৰ্ধমান শক্তিয়ে বিভিন্ন কোম্পানীৰ এণ্টিবায়'টিকসমূহ কাৰ্যক্ষমহীন কৰি তুলিছে। তেনে ক্ষেত্ৰত বেক্টেৰিয়া প্ৰতিৰোধ চিকিৎসা বিজ্ঞানৰ বাবে একপ্ৰকাৰ প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে। এনে অৱস্থাত ড° গোহাঁইৰ এই উদ্ভাৱনে বিশ্বজুৰি আশাৰ সঞ্চাৰ কৰিছে। এই এণ্টিবায়'টিকবিধ জন্তুৰ দেহত প্ৰয়োগ কৰি সফল হোৱাৰ পিছত বজাৰত মুকলি কৰাৰ উদ্দেশ্যে বিধিগতভাৱে শেষ পৰ্যায়ত মানৱ শৰীৰতো ইয়াৰ পৰীক্ষা সম্পন্ন কৰা হৈছে। তিনিচুকীয়া জিলাৰ বৰচাপৰি প্ৰাথমিক বিদ্যালয়ত অসমীয়া মাধ্যমত শিক্ষা জীৱন আৰম্ভ কৰা ড° মুকুট গোহাঁইৰ আনুষ্ঠানিক শিক্ষা জীৱন অসমতে সম্পন্ন হৈছিল। সম্প্ৰতি দক্ষিণ আফ্ৰিকাৰ ইউনিভাৰ্ছিটি অব ফ্ৰী ষ্টেটছত কৰ্মৰত এইগৰাকী প্ৰতিভাশালী অসমীয়াই ২০০৮ চনত স্পেইনত কৰ্মৰত অৱস্থাত দেশখনৰ শ্ৰেষ্ঠ যুৱ বিজ্ঞানীৰ বঁটা লাভ কৰিছিল। আনহাতে যোৱা বৰ্ষত ড° গোহাঁয়ে দক্ষিণ আফ্ৰিকাৰ চৰকাৰৰপৰা ব্যতিক্ৰমী দক্ষতাসম্পন্ন বিজ্ঞানীৰ সন্মানো লাভ কৰিছিল। দক্ষিণ আফ্ৰিকাতে স্থায়ী কৰ্ম জীৱনৰ বাবে ইতিমধ্যে চৰকাৰী অনুমতি লাভ কৰা ড° গোহাঁই সম্প্ৰতি ইউনিভাৰ্ছিটি অব ফ্ৰী ষ্টেটছত শিক্ষাদান কৰাৰ উপৰি দেশখনৰ খ্যাতনামা প্ৰতিষ্ঠান কেমিকেল প্ৰচেছ টেকন'লজিৰ মুখ্য বিজ্ঞানীৰ পদত অধিষ্ঠিত। ❑

# বৃক্ষ পূজা

■ পল্লৱী গোস্বামী

প্ৰকৃতি জগতৰ এক অনবদ্য উপাদান হ'ল বৃক্ষ। সৰু-বৰ সকলো তৰু-তৃণ মিলি জগতক বিচিত্ৰ ৰূপ প্ৰদান কৰে। এই বৃক্ষৰ প্ৰয়োজনীয়তা অনেক। সমস্ত জীৱকুল খাদ্যৰ বাবে, বাসস্থানৰ বাবে আৰু অন্যান্য বহু কাৰণত বৃক্ষৰ ওপৰত নিৰ্ভৰশীল। ইয়াৰ সমান্তৰালভাৱে প্ৰতিজোপা বৃক্ষই পৰিৱেশতন্ত্ৰ ৰক্ষা কৰাত প্ৰধান ভূমিকা গ্ৰহণ কৰে। আমাৰ সমাজত প্ৰচলিত "এক বৃক্ষ দশ পুত্ৰ সম" আদি প্ৰবাদৰ উৎপত্তি হয়তো এনে চিন্তাৰেই ফল। পৰিৱেশ আৰু প্ৰাণীকুলৰ প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰিয়েই বিশেষ কিছুমান উদ্ভিদৰ সংৰক্ষণ আৰু প্ৰতিপালনৰ বাবে বৃক্ষ পূজাৰ দৰে প্ৰথাৰ আৰম্ভণি হোৱা বুলি অনুমান কৰিব পাৰি।

বৃক্ষ পূজাৰ অন্তৰ্গত উদ্ভিদৰ ভিতৰত তুলসীৰ কথা পোনতে উল্লেখ কৰিব পাৰি। পুৱা গা-পা ধুই উঠি তুলসীৰ গুৰিত পানী ঢলা, সন্ধিয়া চাকি জ্বলোৱা আমাৰ সমাজৰ পুৰণি প্ৰথা। কাতি বিহুৰ সময়ত নতুন তুলসী পুলি ৰোৱাটো আমাৰ পৰম্পৰা। সেইদৰে বটবৃক্ষত লক্ষ্মীদেৱীৰ নিবাস আৰু আঁহত গছ বিষ্ণুৰ অধিষ্ঠান বুলি বহুতে বিশ্বাস কৰে। সেই মৰ্মে বট আৰু আঁহত গছৰ গুৰিত পূজা কৰা হয়। বেল গছ ভগৱান শিৱৰ বাসস্থান। বেল গছৰ ফল, পাত সকলোবোৰকেই অতি পৱিত্ৰ জ্ঞান কৰা হয়। ঠায়ে ঠায়ে এই গছবোৰৰ গুৰিত থান (উপাসনাৰ ঠাই) গঢ়ি উঠে। শাৰদীয় দুৰ্গা পূজাত নৱিধ বৃক্ষলৈ পূজা-অৰ্চনা আগবঢ়োৱা হয়। সেয়া হ'ল—কলগছ, কচু, হৰিদ্ৰা (হালধি), জয়ন্তী, বেল, ডালিম, মানকচু, অশোক আৰু ধানগছ। যিকোনো পূজাৰ পানী ভৰা ঘটৰ মুখত পঞ্চ পল্লৱ দিয়া হয়। এই পঞ্চ পল্লৱ হ'ল—আঁহত, আম, বট, জৰী আৰু যজ্ঞ ডিমৰু। ঘটৰ মুখত গোটা নাৰিকল আৰু আমৰ ডালি দিয়াটো এক নিয়ম। আমাৰ অসমত বাঁহ পূজাৰো এক অন্যতম স্থান আছে। গোৱালপাৰা জিলাৰ 'বাঁশ পূজা', কামৰূপৰ 'ভঠেলি', 'পাউৱাতোলা' প্ৰভৃতি বাঁহ পূজাৰেই লৌকিক ৰূপ। ব'হাগ মাহত নাহৰৰ পাতত মন্ত্ৰ লিখি চালৰ পানীপোতাত খুচি থ'লে বতাহ-ধুমুহাৰপৰা ৰক্ষা পাব পাৰি বুলি বিশ্বাস কৰে। বড়োসকলৰ বাথৌ পূজাত সিজু গছ বাথৌৰ প্ৰতীকৰূপে পৰিগণিত। আকৌ চাহ জনগোষ্ঠীৰ কৰম পূজাত কৰম বা চিকা মৰলীয়া গছৰ ডালত পূজা আগবঢ়োৱা হয়। খ্ৰীষ্টান লোকসকলেও পাইন গছক পৱিত্ৰ জ্ঞান কৰে। বৃক্ষ পূজাত বৃক্ষৰ প্ৰতি পৱিত্ৰ জ্ঞান, শ্ৰদ্ধা প্ৰদৰ্শন আদি লোক-সংস্কৃতিৰ নিদৰ্শন হোৱাৰ লগতে পৰিৱেশ-সংৰক্ষণত ইয়াৰ অৱদান অনন্য।

পৰোপকাৰ হ'ল উদ্ভিদৰ প্ৰধান ধৰ্ম। উপৰোক্ত আটাইবোৰ গছেই উচ্চ গুণ-মানবিশিষ্ট। উদাহৰণস্বৰূপে বাঁহ গছক বাদ দি অসমীয়া গ্ৰাম্য জীৱনে পূৰ্ণতা নাপায়। ঘৰ সজা, আচবাব তৈয়াৰ কৰা, পাচি, খৰাহি, ডলা, কুলা আদি সজা অনেক কামত বাঁহৰ ব্যৱহাৰ হয়। বাঁহ-গাজ খাদ্য হিচাপেও গ্ৰহণ কৰা হয়। সেইদৰে কল, আম, বেল, ডালিম আদি গছে সুস্বাদু ফলৰ যোগান ধৰে। কলগছৰ আগৰপৰা গুৰিলৈ কোনো অংশই পেলনি নাযায়। পচলা, কলডিল, কলাখাৰ আদি খাদ্য খোৱাৰ লগতে পাত-পটুৱাও বহু কামত ব্যৱহৃত হয়। বট, আঁহত, নাহৰ, জৰী আদি ডাঙৰ গছবোৰে আমাক ছাঁ দিয়ে আৰু বিবিধ পক্ষীক আশ্ৰয় দিয়ে। পুৰণি কালত নাহৰৰ গুটি জ্বলাই মানুহে পোহৰৰ ব্যৱস্থা কৰিছিল। তুলসী, হালধি, কচু, অশোক আদি উদ্ভিদ আকৌ ঔষধি গুণসম্পন্ন। গতিকে শেষত ক'ব পাৰি যে বৰ্তমান জনসংখ্যা বৃদ্ধি, নগৰীকৰণ আৰু উদ্যোগীকৰণৰ ফলত গছ-গছনি কটা কাৰ্যই আমাৰ জীৱনৰ বাবে য'ত ভাবুকিৰ সৃষ্টি কৰিছে, তেনেস্থলত পূজাৰদ্বাৰা এনে উপকাৰী গছবোৰৰ শ্ৰদ্ধাৰে ৰক্ষণা-বেক্ষণ হোৱাটো অতি আদৰণীয়। ❑

# এছিয়া মহাদেশৰ কেইখনমান দেশৰ সংসদ আৰু সংসদ ভৱন

১। **দেশ** : শ্রীলংকা, **সংসদৰ নাম** : ছিনেট (Cenate) : **সংসদ ভৱনৰ নাম** : নিউ পাৰ্লিয়ামেণ্ট হাউছ (New Parliament House)।



২। **দেশ** : জাপান, **সংসদৰ নাম** : ডায়েট (Diet) : **সংসদ ভৱনৰ নাম** : নেছনেল ডায়েট বিল্ডিং (National Diet Building)।



৩। **দেশ** : চীন, **সংসদৰ নাম** : য়ুৱান (Yuan) : **সংসদ ভৱনৰ নাম** : দি গ্ৰেট হল অৱ দি পিপ্‌ল (The Great Hall of the People)।



৪। **দেশ** : ভূটান, **সংসদৰ নাম** : চংডু (Tshongdo) : **সংসদ ভৱনৰ নাম** : নেছনেল এছেমব্লি বিল্ডিং (National Assembly Building)।



৫। **দেশ** : বাংলাদেশ, **সংসদৰ নাম** : জাতীয় সংসদ : **সংসদ ভৱনৰ নাম** : জাতীয় সংসদ ভৱন।




৬। **দেশ** : মালয়েছিয়া, **সংসদৰ নাম** : ডিৱান নিগাৰা : **সংসদ ভৱনৰ নাম** : মালয়েছিয়ান হাউছ অৱ পাৰ্লিয়ামেণ্ট (Malayasian House of Parlia-



# ভাৰতৰ কেইখনমান ৰাজ্যৰ ৰাজ্যিক জন্তু

১। **ৰাজ্য :** অসম, **জন্তু :** এটা খড়গ থকা গঁড়



২। **ৰাজ্য :** অৰুণাচল প্ৰদেশ, **জন্তু :** মেথোন



৩। **ৰাজ্য :** ছত্তিছগড়, **জন্তু :** বনৰীয়া ম'হ




৪। **ৰাজ্য :** হাৰিয়ানা, **জন্তু :** কৃষ্ণ মৃগ



৫। **ৰাজ্য :** জম্মু আৰু কাশ্মীৰ, **জন্তু :** হৰিণ



৬। **ৰাজ্য :** ঝাৰখণ্ড, **জন্তু :** হাতী



# পৃথিৱীৰপৰা বিলুপ্ত হোৱা কেইবিধমান প্ৰাণী

■ বনানী ডেকা

পৃথিৱীৰপৰা বিভিন্ন সময়ত কিছুমান জীৱ নোহোৱা হৈ গৈছে। এনেধৰণৰ জীৱবোৰক বিলুপ্ত হোৱা জীৱ (Extinct animals) বুলি কোৱা হয়। জীৱবোৰ বিলুপ্ত হোৱাৰ বহুত কাৰণ থাকে। এই কাৰণবোৰৰ ভিতৰত কিছুমান হ'ল—

পৰিবেশৰ উষ্ণতাৰ হঠাৎ বৃদ্ধি বা হ্ৰাস, গোলকীয় উত্তাপৰ ফলত বৰফ গলা, এছিড বৰষুণ, বিভিন্ন বেমাৰ, অতিপাত চিকাৰ, খাদ্যৰ অভাৱ, মহাজাগতিক বিকিৰণ, ইত্যাদি।

ইয়াত কেইবিধমান বিলুপ্ত হোৱা জীৱৰ বিষয়ে কিছু কথা উল্লেখ কৰা হ'ল—

1. **টুএইনোচোৰাচ ৰেক্স** (Tyrannosaurus rex) : ইহঁত মাংসভোজী প্ৰাণী আছিল। কোৱা হয় যে, ইহঁত সৰ্বকালৰ সকলোবোৰ মাংসভোজী প্ৰাণীতকৈ ডাঙৰ।



ইহঁতৰ শৰীৰ ৪৩.৩ ফুট দীঘল আৰু ১৬.৬ ফুট উচ্চতাৰ আছিল। ইহঁতৰ দীঘল শক্তিশালী নেজ আৰু বৃহৎ লাওখোলা আছিল। ইহঁতে পিছভৰি দুখনেৰে খোজ কাঢ়িছিল। আগভৰি সৰু আৰু মাত্ৰ দুটা আঙুলিযুক্ত আছিল। এই প্ৰাণীবোৰৰ দাঁতৰ দৈৰ্ঘ্য আছিল প্ৰায় ১৫০ মিমি.।

প্ৰায় ৬৫-৬৮ নিযুত বছৰৰ আগতে এই প্ৰাণীবোৰ উত্তৰ আমেৰিকাত পোৱা গৈছিল। ইহঁতৰ প্ৰায় ৩০টামান প্ৰজাতিৰ জীৱাশ্ম কংকাল অৱস্থাত পোৱা গৈছে। কিছুমান জীৱাশ্মত কোষ আৰু কলাযুক্ত অংশও পোৱা গৈছে।

টুএইনোচোৰাচ ৰেক্সবোৰ বিলুপ্ত হোৱাৰ বিভিন্ন কাৰণবোৰৰ ভিতৰত এটা প্ৰধান কাৰণ হৈছে যে সেই সময়ত ৮-৯ মাইল ব্যাসাৰ্ধৰ সমান ডাঙৰ এটা গ্ৰহাণুপুঞ্জই পৃথিৱীত খুব জোৰেৰে খুন্দা মাৰিছিল। ইয়াৰ ফলত পৃথিৱীত তীব্ৰ বতাহৰ সৃষ্টি হৈছিল আৰু লগতে এছিড বৰষুণো হৈছিল। পৃথিৱীৰ বায়ুমণ্ডল ধূলিময় হৈ পৰিছিল। এনে পৰিস্থিতিত জীৱবোৰৰ খাদ্যৰ অভাৱ ঘটিছিল। ফলত জীৱবোৰ বিলুপ্ত হৈছিল।

2. **ষ্টেলাৰ ছি কাও** (Steller Sea Cow) : জৰ্জ ষ্টেলাৰ নামৰ প্ৰাণীতত্ত্ববিদ এজনে ১৭৪১ চনত বেৰিং সাগৰৰ এছিয়াটিক উপকূলত (Asiatic Coast of Bering Sea) এই জীৱবোৰ আৱিষ্কাৰ কৰিছিল। জৰ্জ ষ্টেলাৰৰ মতে এই জীৱবোৰ পাৰলৈ উঠি নাহে। এই প্ৰাণীবোৰ শান্ত আৰু সম্পূৰ্ণভাৱে পোহ মনাব পৰা বিধৰ। ইহঁতৰ আগভৰি দুখন নোদোকা আৰু বলিষ্ঠ। ইহঁতৰ নেজ আছিল, ছাল ক'লা আৰু ডাঠ ধৰণৰ আছিল।

জীৱাশ্ম অধ্যয়নৰপৰা দেখা যায় যে, এই জীৱবোৰ জাপান আৰু কেলিফৰ্ণিয়াত পোৱা গৈছিল। ইহঁত ৭-৮ মিটাৰ দীঘল আৰু ৩ টনমান ওজন থকা প্ৰাণী আছিল। ১৭৬৮ চনৰপৰা এই প্ৰাণীবোৰ বিলুপ্ত হৈছিল।




ষ্টেলাৰ কাওবোৰ বহুলভাৱে চিকাৰ কৰা হৈছিল। ইহঁতৰ মাংস খাদ্য হিচাবে ব্যৱহাৰ হৈছিল। এই প্ৰাণীবোৰৰ চৰ্বী চাকি জ্বলাবলৈ ব্যৱহাৰ হৈছিল, কাৰণ ইয়াৰপৰা বেছি ধোঁৱা নোলায়। এনে আৰু বিভিন্ন কাৰণত ষ্টেলাৰ কাওবোৰ বিলুপ্ত হৈছিল।

3. **আইৰিছ ডিয়েৰ** (Irish Deer) : এই হৰিণবোৰ সকলোবোৰ হৰিণৰ ভিতৰত সৰ্ববৃহৎ। এই হৰিণবোৰ



আয়াৰেলেণ্ডৰপৰা উত্তৰ আফ্ৰিকা আৰু এছিয়ালৈ বিয়পি আছিল। প্ৰায় ৭,৭০০ বছৰ আগতে এই প্ৰাণীবোৰ বিলুপ্ত হৈছিল। এই হৰিণবোৰ 7 ফুট ওখ আছিল। ইহঁতৰ মূৰত থকা শিং শৰীৰতকৈও ডাঙৰ আছিল। এই শিংবোৰ ১২ ফুট পৰ্যন্ত ওখ আছিল। শৰীৰৰ তুলনাত ডাঙৰ শিং থকা এই জীৱবোৰ বিলুপ্ত হোৱাৰ কাৰণ হ'ল ইহঁতৰ মাংস আৰু শিং। সময়ৰ লগে লগে বাসস্থানৰ পৰিৱৰ্তন, খাদ্যৰ অভাৱ হোৱাৰ ফলতো এই জীৱবোৰ বিলুপ্ত হৈছিল।

4. **কোৱাগা** (Quagga) : এই জীৱবোৰ দেখিবলৈ আধা জেব্ৰা আৰু আধা ঘোঁৰাৰ নিচিনা। ইয়াৰ প্ৰধান বসতিস্থল



হ'ল দক্ষিণ আফ্ৰিকা। জেব্ৰাৰ দৰে শৰীৰৰ সন্মুখৰ অংশত কিছুমান আঁচ আছিল। শৰীৰৰ মাজ অংশত আঁচবোৰ পাতল দেখা গৈছিল আৰু আঁচবোৰৰ মাজৰ ফাঁক ক্ৰমান্বয়ে বাঢ়ি গৈছিল। শৰীৰৰ পিছ অংশত আঁচ নাছিল। এই অংশ পাতল মটীয়া বৰণৰ আছিল। ১৮৭০ চনৰ শেষৰফালে কোৱাগাবোৰ মৰি শেষ হৈছিল। অন্তিম কোৱাগাটোৰ মৃত্যু আমষ্টাৰডামৰ (Amstardam) এখন চিৰিয়াখানত ১৮৮৩ চনত হৈছিল। ডিএনএ পৰীক্ষা কৰি এইটো প্ৰমাণ হৈছিল যে কোৱাগাবোৰ আচলতে ঘোঁৰা বা জেব্ৰা নহয়, এটা সম্পূৰ্ণ বেলেগ প্ৰজাতি। কোৱাগাবোৰ সাধাৰণতে মাংস আৰু ছালৰ বাবেই চিকাৰ কৰা হৈছিল।

5. **মেম্‌থ** (Mammoth) : মেম্‌থবোৰ হাতীৰ দৰে জীৱ। মেম্‌থবোৰ উত্তৰ আমেৰিকা আৰু কলম্বিয়াত পোৱা গৈছিল। ইহঁতৰ দাঁত দীঘল, বেঁকা ধৰণৰ আছিল। কিছুমান প্ৰজাতিৰ শৰীৰ দীঘল চুলিৰে আবৃত্ত আছিল। এই প্ৰাণীবোৰৰ শৰীৰ বৃহৎ আছিল। ইহঁতৰ উচ্চতা ১৩ ফুট পৰ্যন্ত আছিল।

প্ৰায় ১২,০০০ বছৰৰ আগতে সৃষ্টি হোৱা বৰফময় অৱস্থাৰ সময়ত এই জীৱবোৰৰ খাদ্যৰ অভাৱত বিলুপ্ত হ'বলৈ আৰম্ভ হৈছিল। অৱশেষত প্ৰায় ৪,০০০ বছৰৰ আগতে মেম্‌থ সম্পূৰ্ণৰূপে পৃথিৱীৰপৰা বিলুপ্ত হৈ যায়। ❑

**তোমালোকৰ বাবে প্ৰশ্নৰ শুদ্ধ উত্তৰদিওঁতা**

**অসম জাতীয় বিদ্যালয়ৰ** হৃষিকেশ মেধি (৮ম), ধীৰাজ ডেকা (৮ম), প্ৰদ্যুৎ গোস্বামী (৮ম), ৰূপাঞ্জলি কলিতা (৯ম), মৃন্ময় কলিতা (৮ম), অনুৰণন আগৰৱালা (৭ম)।

# নতুন চৰকাৰ; নতুন বাজেট

■ অপৰ্ণা দেৱী

**ৰেল বাজেট, ২০১৪ :** নৱনিৰ্বাচিত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী নেতৃত্বাধীন নেছনেল ডেমক্ৰেটিক এলায়েন্স (এন.ডি.এ.) চৰকাৰৰ হৈ সদ্য নিযুক্ত ৰেল মন্ত্ৰী সদানন্দ গৌড়াই ৮ জুলাই মঙলবাৰে সংসদত ৰেল বাজেট দাখিল কৰে।



ভাৰতবাসীৰ স্বপ্নৰ বুলেট ট্ৰেইনে এইবাৰ ৰেল বাজেটত ভূমুকি মাৰিলে। মায়ানগৰী মুম্বাই আৰু বাণিজ্যিক নগৰী আহমদাবাদৰ মাজত বুলেট ট্ৰেইনৰ চলাচল আৰু দেশৰ গুৰুত্বপূৰ্ণ ৰেল জংচনসমূহ সংযোগী হীৰক চতুৰ্ভুজ (Diamond Quadrilateral) নিৰ্মাণৰ প্ৰস্তাৱে এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে। বাজেটখনত যিদৰে যাত্ৰী অথবা মাল ভাড়া বৃদ্ধিৰ কোনো প্ৰস্তাৱ নাই, ঠিক সেইদৰে নতুন কোনো প্ৰকল্পৰো প্ৰস্তাৱ নাই। দেশত ৫৮ খন নতুন ৰেল সেৱাৰ প্ৰৱৰ্তন কৰাৰ কথা উল্লেখ কৰা হৈছে। চলিত ১১ খন ৰেলৰ যাত্ৰাৰ সম্প্ৰসাৰণ কৰা হৈছে। ধৰ্মীয় স্থান সংযোগ কৰি নতুন পৰ্যটক ৰেলৰ ব্যৱস্থাৰ কথা নতুন ৰেল বাজেটত পোৱা গৈছে। ৰেলৰ টিকট বুকিঙৰ ক্ষেত্ৰত এক নতুনত্ব হ'ল ম'বাইল ফ'ন আৰু ডাকঘৰৰ জৰিয়তে টিকট বুকিঙৰ সুবিধা প্ৰদান। ৰেলত মহিলা যাত্ৰীৰ সুৰক্ষাৰ বাবে দবাত মহিলা ৰেল সুৰক্ষা জোৱানৰ নিয়োগৰ ব্যৱস্থাৰ কথা উল্লেখ কৰা হৈছে। দেশৰ সকলোবোৰ গুৰুত্বপূৰ্ণ ষ্টেছনতে শাৰীৰিকভাৱে দুৰ্বল আৰু জ্যেষ্ঠ নাগৰিকৰ বাবে বেটাৰীচালিত গাড়ীৰ ব্যৱস্থা কৰাৰ লগতে প্ৰতিটো গুৰুত্বপূৰ্ণ ষ্টেছনতে চি.চি.টি.ভি. কেমেৰা (C.C.T.V. Camera) স্থাপন ব্যৱস্থাৰ কথা ৰেল বাজেটত পোৱা গৈছে। দেশবাসীৰ বহু প্ৰত্যাশিত ৰেলৰে বিশ্ববিদ্যালয় স্থাপনৰ কথাও নতুন ৰেল বাজেটত উল্লেখিত হৈছে। এইবাৰৰ ৰেল বাজেটত সুকীয়াকৈ ৫,১১৬ কোটি টকা অকল উত্তৰ-পূৰ্বাঞ্চলৰ বাবে নিৰ্ধাৰণ কৰিছে।

**সাধাৰণ বাজেট, ২০১৪ :** কেন্দ্ৰীয় বিত্তমন্ত্ৰী অৰুণ জেটলিয়ে ১০ জুলাই বৃহস্পতিবাৰে লোকসভাত ২০১৪-১৫ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট সংসদত দাখিল কৰে। দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ ২.৯ শতাংশ ৰাজহ ঘাটিৰে বিত্ত মন্ত্ৰীয়ে ১৭,৯৪,৮৯২ কোটি টকাৰ বাজেট দাখিল কৰে। অৰ্থনৈতিক সমীক্ষা দাঙি ধৰি বিত্ত মন্ত্ৰীগৰাকীয়ে কৰ ৰেহাইৰ পৰিবৰ্তে আয়কৰ ৰেহাইৰ সীমা বৃদ্ধি কৰা দেখা গৈছে। নতুন বাজেটখনত প্ৰত্যক্ষ নিয়োগৰ কথা উল্লেখ নাই যদিও আন্তঃগাঁথনি খণ্ডত বিনিয়োগ বৃদ্ধিৰ ফলত নিয়োগ বৃদ্ধি পাব।

বাজেট দাখিলৰ পিছত বি.এছ.ই. (BSE) আৰু নিফটিৰ (NIFTE) সূচকাংকৰ উৰ্ধগামী গতিয়ে বিনিয়োগকাৰীক উৎসাহিত কৰিছে। প্ৰতিৰক্ষা সামগ্ৰী নিৰ্মাণ আৰু বীমা খণ্ডত প্ৰত্যক্ষ বিদেশী বিনিয়োগ ৪৯ শতাংশলৈ বৃদ্ধি কৰাটো এইবাৰৰ কেন্দ্ৰীয় বাজেটৰ গুৰুত্বপূৰ্ণ দিশ।

২০১৪-১৫ বিত্তীয় বৰ্ষত দেশৰ অৰ্থনৈতিক বিকাশৰ হাৰ ৫.৪-৫.৯ শতাংশলৈ বৃদ্ধি কৰাৰ কথা উল্লেখ কৰা হৈছে। জেটলিৰ মতে, ৩-৪ বছৰৰ ভিতৰত দেশৰ আৰ্থিক বিকাশ ৭-৮ শতাংশ অথবা তাৰ অধিক কৰাৰ লক্ষ্য স্থিৰ কৰিছে।

দেশৰ প্ৰাথমিক শিক্ষাখণ্ডৰ সমস্যাৱলী সমাধান কৰিবপৰাকৈ বাজেটত ২৮,৬৩৫ কোটি টকা সৰ্বশিক্ষা অভিযানৰ নামত আৰু ৪,৯৬৬ কোটি টকা ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ শিতানত ধাৰ্য কৰা হৈছে। ৩০ কোটি টকা ব্যয়েৰে এক বিদ্যালয় সমীক্ষা কাৰ্যক্ৰম ৰূপায়ণৰো প্ৰস্তাৱ লোৱা হৈছে। অন্ধ্ৰপ্ৰদেশ, পশ্চিমবংগ, মহাৰাষ্ট্ৰৰ বিদৰ্ভ আৰু উত্তৰ প্ৰদেশৰ পূৰ্বাঞ্চলত অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান স্থাপনৰ প্ৰস্তাৱ ঘোষণা কৰা হৈছে। হিমাচল প্ৰদেশ, পঞ্জাব, বিহাৰ, উৰিষ্যা আৰু ৰাজস্থানত পাঁচখন ভাৰতীয় প্ৰবন্ধন প্ৰতিষ্ঠান (আই.আই.এম) স্থাপনৰ প্ৰস্তাৱ উত্থাপন কৰা হয়। কৃষিখণ্ডত অবিৰতভাৱে চাৰি শতাংশ হাৰে বিকাশৰ লক্ষ্য নিৰ্ধাৰিত কৰা হৈছে। বৰ্তমান বিত্তীয় বৰ্ষত ৮,৫০০ কিল'মিটাৰ দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ লক্ষ্য ঘোষণা কৰা হৈছে। বাজেটত ২,২৯,০০০ কোটি টকা দেশৰ প্ৰতিৰক্ষা শিতানৰ বাবে, ৯৮,০৩০ কোটি টকা মহিলা কল্যাণৰ নামত, ৮১,০৭৫ কোটি টকা শিশু কল্যাণ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ নামত ৫৩,৭০৬ কোটি টকা অনুমোদনৰ বাবে প্ৰস্তাৱ উত্থাপন কৰা হৈছে।

কেন্দ্ৰীয় বিত্তমন্ত্ৰী অৰুণ জেটলিয়ে সংসদত দাখিল কৰা বাজেটখন এখন অন্তৰ্বৰ্তীকালীন বাজেট। সেই বাজেটত আমদানিকৃত ষ্টীল, বিদেশী ব্ৰেণ্ডৰ কাপোৰ, চিগাৰেট, পাণমচলা, জৰ্দা, চাধা, ৰেডিঅ', টেক্সি, আমদানিকৃত ইলেক্ট্ৰনিক সামগ্ৰী, হীৰা, পৰ্টেবল এক্সৰে মেচিন, শীতল পানীয় আদিৰ দাম বঢ়াৰ কথা উল্লেখ আছে। ঠিক সেইদৰে কেথ'ড ৰে' টি.ভি., ১৯ ইঞ্চিতকৈ কম জোখৰ এল.চি.ডি. আৰু এল.ই.ডি. টিভি, সৌৰচালিত ব্যৱহৃত ই.ডি.এ. আৰু পি.ভি.চি., ৰিবন, চেণ্ডেল, জোতা, চাবোন, ই-বুক ৰীডাৰ, ডেক্সটপ, লেপটপ, টেবলেট, পানী ফিল্টৰ, এল.ই.ডি. লাইট, চাকি, মণি-মুকুতা, দিয়াচলাই, ডি.ডি.টি., স্পৰ্টছ, হাতমোজা, বীমা, এইচ.আই.ভি.ৰ ঔষধৰ দাম কমাৰ কথা নতুন বাজেটত উল্লেখ আছে। ❑


## কি, ক'ত, কিয় বিখ্যাত?

**জীপ গাড়ী :** জীপ গাড়ী (Jeep) এক শ্ৰেণীৰ মটৰগাড়ী। দ্বিতীয় মহাসমৰত মাৰ্কিন সৈন্যৰ বাবে ট্ৰাকৰ নিৰ্মাণ কৰিবলৈ লোৱাৰ সময়ত জীপ গাড়ীৰ উদ্ভাৱন ঘটে। ১৯৪০ চনত উইলীজ (Willys) নামৰ কোম্পানীয়ে কৰা আৰ্হি অনুসৰি জীপ গাড়ীৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ হয়। প্ৰথমতে এই গাড়ীবোৰক 'General Purpose' (যিকোনো কামত অহা) বুলি কোৱা হৈছিল। পাছত চমুকৈ GP আৰু শেষত GPৰপৰা Jeep হয়গৈ। দ্বিতীয় মহাযুদ্ধৰ শেষলৈ সৰ্বমুঠ ৬,৩৯,০০০ খন জীপ গাড়ী নিৰ্মাণ কৰা হৈছিল। পিছত উইলীজৰ বাহিৰেও ফ'ৰ্ড আৰু আন আন কোম্পানীয়ে জীপ গাড়ী নিৰ্মাণ কৰিছিল। মহাযুদ্ধৰ শেষত জীপ গাড়ী অন্যান্য কামত ব্যৱহাৰ হ'বলৈ ধৰে।

**নিউক্লিয় ৰিএক্টৰ :** নিউক্লিয় ৰিএক্টৰ এবিধ আহিলা যাৰ সহায়ত নিউক্লিয় বিভংগন বিক্ৰিয়া ব্যৱহাৰ কৰি শক্তি উৎপাদন কৰা হয়। নিউক্লিয় বিভংগন বিক্ৰিয়া এনে এক বিক্ৰিয়া, য'ত এটা গধুৰ মৌলৰ পৰমাণু একাধিক পাতল মৌলৰ পৰমাণুলৈ বিভাজিত হয়। এই বিক্ৰিয়াত যথেষ্ট পৰিমাণৰ তাপশক্তি উৎপন্ন হয়। নিউক্লিয় ৰিএক্টৰবিলাকত সাধাৰণতে ইউৰেণিয়াম আৰু প্লুট'নিয়াম ব্যৱহাৰ কৰা হয়। নিউক্লিয়াৰ ৰিএক্টৰ এটাৰ ভিতৰত ইউৰেণিয়াম বা প্লুট'নিয়াম মৌল ৰাখি তাৰ বিভংগন বিক্ৰিয়া ঘটিবলৈ দিয়া হয়। ইয়াত উৎপন্ন হোৱা প্ৰচণ্ড তাপশক্তিৰ সহায়ত পানী ভাপলৈ পৰিৱৰ্তন কৰা হয়। এই ভাপৰ সহায়ত টাৰ্বাইন চলাই পিছৰ পৰ্যায়ত বিজুলী শক্তি উৎপাদন কৰা হয়।

# ভাৰতীয় চলচ্চিত্ৰৰ এশটা বছৰ

■ লিপিমণি দত্ত




১৯১৩ চনৰ ৩ মে'। ভাৰতীয় চলচ্চিত্ৰৰ পিতৃপুৰুষ দাদা চাহেব ফাল্কেই নিৰ্মাণ কৰা 'ৰজা হৰিশ্চন্দ্ৰ'ই মুক্তি পোৱাৰ দিন। ছবিখনে মুক্তিলাভ কৰাৰ সময়ত তেওঁ নিজেও ভবা নাছিল যে ভৱিষ্যতৰ এক বৃহৎ উদ্যোগৰ তেওঁ দুৱাৰ মুকলি কৰিছে। কিন্তু এই আৰম্ভণিৰ পিছতে ভাৰতীয় চলচ্চিত্ৰই অবিৰত ধাৰা অব্যাহত ৰাখি সম্পূৰ্ণ কৰিছে গৌৰৱৰ এশটা বছৰ। 'ৰজা হৰিশ্চন্দ্ৰ' আছিল ভাৰতৰ সৰ্বপ্ৰথম পূৰ্ণদৈৰ্ঘ্যৰ নিৰ্বাক ছবি। ছবিখনত নাৰীৰ ভাও লৈছিল পুৰুষ অভিনেতাই। কিন্তু ইয়াৰ পূৰ্বেও দেশত মুক্তি পাইছিল আন এখন ছবি 'শ্ৰী পুণ্ডলিক'। ১৯১২ চনৰ ১৮ মে'ৰ দিনা মুম্বাইৰ 'কৰোনেচন চিনেমেটোগ্ৰাফ'ত (Coronation cinematograph) দাদা চাহেব টোৰ্নে পৰিচালিত ভাৰতৰ প্ৰথম নিৰ্বাক কাহিনী চিত্ৰ হিচাপে 'শ্ৰী পুণ্ডলিক' মুক্তি পায়। এই ছবিখন যদিও 'ৰজা হৰিশ্চন্দ্ৰ'ৰ পূৰ্বেই মুক্তি পাইছিল, তথাপি ই ভাৰতৰ প্ৰথম ছবিৰ স্বীকৃতি পোৱাৰ পৰা বঞ্চিত হ'ল, কিয়নো ছবিখন আছিল ৪০ মিনিট দৈৰ্ঘ্যৰ মাৰাঠী মঞ্চনাট এখনৰ কেমেৰাৰে ধৰি ৰখা চিত্ৰৰূপ। তদুপৰি ছবিখনৰ চিত্ৰগ্ৰহণ কৰোৱাইছিল ব্ৰিটিছ ব্যক্তিয়ে। ছবিখনৰ পৰৱৰ্তী পৰ্যায়ৰ কাম-কাজ কৰোৱা হৈছিল লণ্ডনত।

ভাৰতত ছবি নিৰ্মাণৰ চিন্তা আৰম্ভ হৈছিল প্ৰকৃততে 'ৰজা হৰিশ্চন্দ্ৰ' মুক্তি পোৱাৰো ডেৰ দশক পূৰ্বে। ১৮৯৫ চনত লুমিয়েৰ ব্ৰাদাৰ্চে (Lumiere Brothers) লণ্ডনত ছবি প্ৰদৰ্শন কৰি বিশ্বজুৰি আলোড়ন তোলাৰ পিছত মুম্বাইতো এনে ছবি প্ৰদৰ্শিত হয়। মুম্বাইত হৰিশ্চন্দ্ৰ শাখাৰাম ভটবদেবকাৰ আৰু কলকতাত হীৰালাল সেন নামৰ দুগৰাকী ফটোগ্ৰাফাৰে এনে চুটি ছবি চাই অতিকে অনুপ্ৰাণিত হয় আৰু নিজাকৈ ছবি নিৰ্মাণৰ চিন্তা কৰে।

ভাৰতৰ প্ৰথমখন সবাক চলচ্চিত্ৰ 'আলম আৰা' মুক্তি পায় ১৯৩১ চনৰ ১৪ মাৰ্চত। আৰ্দেচিৰ ইৰাণীয়ে নিৰ্মাণ কৰা এই ছবিখনেও ভাৰতীয় চলচ্চিত্ৰৰ ইতিহাসত এক নতুন দিগন্তৰ সূচনা কৰে। ইয়াৰ লগে লগে ছবি নিৰ্মাণত এক নতুন উৎসাহৰ সৃষ্টি হ'ল। একে বছৰৰে ১৫ ছেপ্টেম্বৰত এইচ.এম. ৰেড্ডীয়ে (H.M. Reddy) তেলেগু ভাষাত প্ৰথমখন সবাক ছবি 'ভক্ত প্ৰহ্লাদ' নিৰ্মাণ কৰি উলিয়ায়। আনহাতে আৰ্দেচিৰ ইৰাণীৰ প্ৰযোজনাত এইচ এম ৰেড্ডীৰ পৰিচালনাত ভক্ত প্ৰহ্লাদ নিৰ্মাণৰ এমাহৰ পিছতে ৩১ অক্ট'বৰত মুক্তি পায় তামিল ছবি 'কালিদাস'। দেশীয় ছবিৰ লগতে আঞ্চলিক ভাষাৰ ছবিৰ বাবেও যেন ১৯৩১ চনটোৱে আনিছিল এক শুভ আৰম্ভণিৰ জোৱাৰ। ছবি নিৰ্মাণৰ প্ৰযুক্তিত গুৰুত্ব দিয়াৰ লগতে চেন্নাই, কলকতা, মুম্বাই আদি বহু স্থানত বহুতো ষ্টুডিঅ' প্ৰতিষ্ঠা কৰা হৈছিল। অসমতো ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই ১৯৩৫ চনত 'জয়মতী' নিৰ্মাণ কৰি অসমীয়া চলচ্চিত্ৰৰ ইতিহাস সূচনা কৰিলে। ১৯৩৫ চনটো হিন্দী চলচ্চিত্ৰৰ বাবেও আছিল সাফল্যৰ বৰ্ষ। সেই বৰ্ষত মুক্তি লাভ কৰা 'দেৱদাস' নামৰ ছবিখনে দেশবাসীৰ মাজত অভূতপূৰ্ব জনপ্ৰিয়তা লাভ কৰে। আনহাতে ১৯৩৬ চনত মুক্তি পোৱা 'সন্ত টুকাৰাম' নামৰ ছবিখন প্ৰথমবাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ

মহোৎসৱত প্ৰদৰ্শিত হৈছিল। ভেনিচ চলচ্চিত্ৰ মহোৎসৱত এই ছবিখনে বিশ্বৰ তিনিখন শ্ৰেষ্ঠ ছবিৰ অন্যতম বুলি স্বীকৃতি লাভ কৰে। আনহাতে ভাৰতীয় ছবিৰ উৎসাহজনক পৰিৱেশে ছবি প্ৰযোজক-পৰিচালকক অনুপ্ৰাণিত কৰাৰ পাছত ইখনৰ পিছত সিখন ছবিয়ে মুক্তি লাভ কৰিবলৈ ধৰিলে। ভাৰতীয় চলচ্চিত্ৰ উন্নয়নৰ বাবে ১৯৬০ চনত বিত্ত মন্ত্ৰালয়ৰ অধীনত চলচ্চিত্ৰ বিত্ত নিগম গঠন কৰা হৈছিল। স্বাধীনতা লাভৰ পিছৰপৰা ১৯৬০ চনলৈ—এই বাৰটা বছৰ ভাৰতীয় চলচ্চিত্ৰৰ ইতিহাসত সোণালী যুগ ৰূপে অভিহিত কৰা হৈছে। কিয়নো এই সময়ছোৱাতে চেতন আনন্দ, ঋত্বিক ঘটক, বিমল ৰয়, সত্যজিৎ ৰায় আদি মহান ছবি পৰিচালকসকলে আত্মপ্ৰকাশ কৰি ভাৰতীয় ছবিক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত উজ্বলাই তোলে। সত্যজিৎ ৰায়ে 'পথেৰ পাঁচালি' নিৰ্মাণেৰে সমগ্ৰ বিশ্বৰ চলচ্চিত্ৰপ্ৰেমী দৰ্শক আৰু সমালোচকক মুগ্ধ কৰি তোলে।

সত্যজিৎ ৰায়ে আৰম্ভ কৰা ভাৰতীয় চলচ্চিত্ৰৰ ধাৰা পৰৱৰ্তী সময়ত মৃণাল সেন, অদূৰ গোপালকৃষ্ণণ, বুদ্ধদেৱ দাসগুপ্তা আদিয়ে অনুসৰণ কৰিবলৈ চেষ্টা কৰে। আনহাতে হিন্দী ছবিক বিশেষ ব্যৱসায়িক মাত্ৰা দিবৰ চেষ্টা কৰি গুৰু দত্ত, ৰাজ কাপুৰ আদিয়ে কেইবাখনো বাণিজ্যিকভাবে সফল ছবি নিৰ্মাণ কৰে। ১৯৭০ চনৰ পিছত ব্যৱসায়িকভাৱে সফল হিন্দী ছবিয়ে ব্যাপক উত্থান লাভ কৰে। ১৯৭৫ চনত মুক্তি পোৱা 'শ্বোলে'ই সাফল্যৰ ক্ষেত্ৰত এক অভিলেখ ৰচনা কৰে। বিভিন্ন প্ৰতিভাসম্পন্ন অভিনেতা-পৰিচালকৰ হাতত ভাৰতীয় চলচ্চিত্ৰ উদ্যোগটো ইমান গজগজীয়া হৈ পৰিল যে দেশৰ এক বুজন পৰিমাণৰ ধন এতিয়া এই উদ্যোগতে বিনিয়োগ কৰা হয়। আনহাতে ভাৰতীয় চলচ্চিত্ৰ বজাৰে যোৱা দুটা দশকত দেশৰ উপৰিও আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। ভাৰতীয় ছবিৰ বজাৰৰ প্ৰতি লক্ষ্য কৰি এতিয়া বিদেশী প্ৰযোজকেও ভাৰতৰ পটভূমিত ছবি নিৰ্মাণ কৰিবলৈ আগবাঢ়ি আহিছে। অস্কাৰ বিজয়ী ছবি ডেনী বয়েলৰ 'শ্লামডগ মিলিয়নাৰ'ৰ কথা এই প্ৰসংগত উল্লেখযোগ্য। আশা কৰিব পাৰি ভাৰতীয় ছবিৰ জয়যাত্ৰা অনাগত সময়তো এইদৰে অব্যাহত থাকিব। ❑

## ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ ৰাজ্যিক মন্ত্ৰীসকল

১। **জি এম সিদ্ধেশ্বৰা :** অসামৰিক পৰিবহণ।
২। **মনোজ সিনহা :** ৰে'লৱে।
৩। **নিহাল চান্দ :** ৰাসায়নিক দ্ৰব্য আৰু সাৰ।
৪। **উপেন্দ্ৰ কুশ্বৰা :** গ্ৰাম্য উন্নয়ন, পঞ্চায়ত, খোৱাপানী।
৫। **পি ৰাধাকৃষ্ণণ :** গুৰু উদ্যোগ আৰু ৰাজহুৱা প্ৰতিষ্ঠান।
৬। **কিৰেণ ৰিজিজু :** গৃহ মন্ত্ৰালয়।
৭। **কৃষাণ পাল :** পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ, জল জাহাজ।
৮। **সঞ্জীৱ কুমাৰ বাল্যান :** কৃষি, খাদ্য প্ৰস্তুতকৰণ উদ্যোগ।
৯। **এম ডি বাসভ :** জনজাতি পৰিক্ৰমা।
১০। **ৰাওচাহেব দাভে :** গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ।
১১। **বিষ্ণু দেও চাই :** খনি, তীখা, শ্ৰম আৰু নিয়োগ।
১২। **সুদৰ্শন ভগত :** সামাজিক ন্যায় আৰু সবলীকৰণ।

## বিশ্বকাপ সম্পৰ্কীয় তথ্য

★ ব্ৰাজিল ফুটবল বিশ্বকাপৰ মেছকটটো আছিল এটা আৰ্মাডিলো আৰু তাৰ নাম আছিল ফুলেকো। আনহাতে ব্ৰাজিল বিশ্বকাপত ব্যৱহৃত বলটোৰ নাম আছিল ব্ৰাজুকা।

# মানসিক সামৰ্থ্য বিকাশ

■ **ৰবীন্দ্ৰ বৰ্মন**

1. ‘?’ চিনৰ ঠাইত কি সংখ্যা বহিব?

| | | | |
|---|---|---|---|
| 25 | 32 | 16 | 22 |
| 7 (16) 9 | 6 (11) 21 | 8 (12) 4 | 6 (14) 8 |
| 23 | 20 | 20 | ? |

A) 25 B) 18 C) 22 D) 20

2. ‘?’ চিনৰ ঠাইত কি সংখ্যা বহিব?

| | | | |
|---|---|---|---|
| 9 | 10 | 11 | 6 |
| 7 (10) 5 | 9 (2) 8 | 2 (12) 6 | 4 (?) 7 |
| 5 | 7 | 5 | 8 |

A) 15 B) 11 C) 20 D) 25

3. ‘?’ চিনৰ ঠাইত কি সংখ্যা বহিব?

| | | | |
|---|---|---|---|
| 12 | 25 | 18 | 18 |
| 7 (20) 5 | 10 (32) 10 | 6 (16) 9 | 10 (?) 12 |
| 20 | 27 | 13 | 17 |

A) 13 B) 15 C) 18 D) 20

4. ‘?’ চিনৰ ঠাইত কি সংখ্যা বহিব?

| | | | |
|---|---|---|---|
| 5 | 9 | 7 | 8 |
| 4 (5) 7 | 6 (12) 8 | 4 (8) 6 | 7 (?) 10 |
| 3 | 5 | 3 | 6 |

A) 12 B) 14 C) 11 D) 15

5. ‘?’ চিনৰ ঠাইত কি সংখ্যা বহিব?

| | | | |
|---|---|---|---|
| 4 | 3 | 4 | 1 |
| 3 (120) 5 | 2 (24) 4 | 3 (60) 5 | 3 ( ) 5 |
| 2 | 1 | 1 | 2 |

A) 30 B) 60 C) 120 D) 50

6. '?' চিনৰ ঠাইত কি সংখ্যা বহিব?

0, 3, 8, 15, 24, ?

A) 48 B) 31 C) 35 D) 72

7. '?' চিনৰ ঠাইত কি সংখ্যা বহিব?

10, 16, 28, 52, ?

A) 120 B) 100 C) 208 D) 64

8. '?' চিনৰ ঠাইত কি সংখ্যা বহিব?

1, 2, 3, 5, 8, 13, ?

A) 17 B) 19 C) 21 D) 23

9. '?' চিনৰ ঠাইত কি সংখ্যা বহিব?

3, 6, 18, 72, ?

A) 144 B) 360 C) 216 D) 200

10. '?' চিনৰ ঠাইত কি সংখ্যা বহিব?

3, 7, 15, 31, ?

A) 51 B) 75 C) 81 D) 63

11. '?' চিনৰ ঠাইত কি সংখ্যা বহিব?

1, 5, 11, 19, 29, ?

A) 41 B) 35 C) 37 D) 39

12. '?' চিনৰ ঠাইত কি সংখ্যা বহিব?

5, 7, 122, 19, 31, ?

A) 44 B) 45 C) 50 D) 47

**উত্তৰসমূহ :**

| | | | | | |
|---|---|---|---|---|---|
| 1) D | 2) B | 3) A | 4) C | 5) A | 6) C |
| 7) B | 8) C | 9) B | 10) D | 11) A | 12) C |

# কুইজ

■ ধ্রুৱ শৰ্মা

১। ১ ছেকেণ্ডৰ ১০০ কোটি ভাগৰ এভাগ সময়ক কি বোলে?

২। কোনে প্ৰথমে লিপি আৰু চিন ব্যৱহাৰ কৰিছিল?

৩। 'ইলিয়াড' নামৰ প্ৰখ্যাত মহাকাব্যখনৰ ৰচক কোন?

৪। আটাইতকৈ কম সময়ৰ বাবে সংঘটিত হোৱা যুদ্ধ কোনখন?

৫। কোনগৰাকী চুলতানে গুজৰাটৰ সোমনাথ মন্দিৰ আক্ৰমণ কৰি বিধ্বস্ত কৰিছিল?

৬। সংস্কৃত কথা সাহিত্যৰ প্ৰাচীনতম আৰু বৃহত্তম (আনুমানিক) গল্প গ্ৰন্থখনৰ নাম কি?

৭। 'ৰুবায়েট'ৰ বিখ্যাত কবি ওমৰ খায়ামৰ সম্পূৰ্ণ নাম কি?

৮। কেমব্ৰিজ বিশ্ববিদ্যালয়খন কোনখন নদীৰ পাৰত?

৯। লিঅ'নাৰ্ডো ডা-ভিঞ্চিৰ 'মনালিছা' বৰ্তমান ক'ত সংৰক্ষিত হৈ আছে?

১০। ভূগোল অধ্যয়নৰ অপৰিহাৰ্য আহিলা ভূ-গোলক কোনে তৈয়াৰ কৰিছিল?

১১। 'টুৱেলফথ্ নাইট' গ্ৰন্থখনৰ ৰচক কোন?

১২। 'ময়ূৰ সিংহাসন' নিৰ্মাণৰ লগত জড়িত খনিকৰজনৰ নাম কি?

১৩। গ্ৰীনউইচ মান মন্দিৰ কাৰ চেষ্টাত প্ৰতিষ্ঠা হৈছিল?

১৪। শিৱসাগৰ পুখুৰীটো কোনে খন্দাইছিল?

১৫। ভাৰতৰ প্ৰথমখন সংবাদপত্ৰৰ নাম কি?

১৬। কোনগৰাকী গৱৰ্ণৰ জেনেৰেলৰ দিনত ভাৰতত সতীদাহ প্ৰথা নিষিদ্ধ হৈছিল?

১৭। কোনখন দেশৰ ডাক টিকটত দেশখনৰ নাম লিখা নাথাকে?

১৮। 'কলিতা ৰজা' বুলি পৰিচিত অসমীয়াগৰাকী কোন?

১৯। 'বন্দে মাতৰম' গীতটোৰ সুৰকাৰ কোন?

২০। অসমৰ প্ৰথমটো ৰাজনৈতিক দলৰ নাম কি? ❖

## তোমালোকৰ বাবে প্ৰশ্ন

১। কৃষিত জলসিঞ্চন ব্যৱস্থা কেতিয়া আৰম্ভ হৈছিল?

২। প্ৰাচীনতম লিপিবিধৰ নাম কি?

৩। আটাইতকৈ দীৰ্ঘদিন ধৰি চলা যুদ্ধ কোনখন?

৪। ওমৰ খায়ামৰ 'ৰুবায়েট'ৰ অসমীয়া অনুবাদ গ্ৰন্থখনৰ নাম কি?

৫। মাত্ৰাধিক হিন্দু বিদ্বেষৰ বাবে 'কালযৱন' নামে জনাজাত বংগৰ সেনাপতিগৰাকীৰ প্ৰকৃত নামটো কি আছিল?

*(উত্তৰবোৰ তোমালোকে নিজে বিচাৰি ১৫ আগষ্ট তাৰিখৰ আগেয়ে পোৱাকৈ সম্পাদক, **'অন্বেষণ'** এই ঠিকনালৈ পঠিয়াবা। সম্পূৰ্ণ শুদ্ধ উত্তৰ দিওঁতাসকলৰ নাম পৰৱৰ্তী সংখ্যাত প্ৰকাশ কৰা হ'ব।)*

# জুবিন মেহতা

■ অপৰাজিতা দত্ত



ভাৰতবৰ্ষত সংগীতৰ এক বিশেষ পৰম্পৰা আছে। ভাৰতীয় শাস্ত্ৰীয় সংগীতে বিশ্বৰ সংগীত জগতত এক সুকীয়া স্থান অধিকাৰ কৰি আছে। বহু ভাৰতীয় সংগীতজ্ঞই আন্তৰ্জাতিক খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছে। কিন্তু মুষ্টিমেয় কিছুসংখ্যক ভাৰতীয় সংগীত পৰিচালকেহে নিজস্ব প্ৰতিভাৰে সুৰ সমলয়ৰ (orchestra) পৰিচালক হিচাপে বিশ্বত পৰিচিত আৰু সমাদৃত হৈছে। এইসকল মুষ্টিমেয় পৰিচালকৰ ভিতৰত জুবিন মেহতা অন্যতম। তেখেতৰ আন এক বিশেষত্ব হ'ল যি সময়ত বেছিভাগ বিখ্যাত ভাৰতীয় সংগীতজ্ঞই ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ জৰিয়তে খ্যাতি লাভ কৰিছে, সেই সময়ত জুবিন মেহতাই পাশ্চাত্যৰ শাস্ত্ৰীয় সংগীত চৰ্চাৰ জৰিয়তে খ্যাতি লাভ কৰিছে। তেখেতৰ পৰিচালনাত সুৰ সমলয়ে এক অনন্য ৰূপত আত্মপ্ৰকাশ কৰিছে। বিভিন্ন দেশৰ কেইবাশও সংগীতজ্ঞ বাদ্যযন্ত্ৰীয়ে যেতিয়া তেওঁৰ পৰিচালনাত সুৰ সমলয় পৰিবেশন কৰে সি এক বিৰল দৃশ্য হিচাবে পৰিগণিত হয়। পশ্চিমীয়া বাদ্যযন্ত্ৰৰ লগতে কিছু পৰিমাণে ভাৰতীয় বাদ্যযন্ত্ৰৰ সমন্বয় ঘটাই সৃষ্টি কৰা তেওঁৰ সুৰ সমলয়ে প্ৰতিজন সংগীতপ্ৰেমীৰে অন্তৰত যেন এক সাংগীতিক লহৰৰ সৃষ্টি কৰে।

জুবিন মেহতাৰ জন্ম হৈছিল ১৯৩৬ চনৰ ২৯ এপ্ৰিলত বৰ্তমানৰ মুম্বাই চহৰত। এটি পাৰ্চী পৰিয়ালত জন্মগ্ৰহণ কৰা জুবিন মেহতাৰ পিতৃৰ নাম আছিল মেহলী মেহতা আৰু মাতৃৰ নাম আছিল তেহমিনা মেহতা। মেহলী মেহতা এগৰাকী বেহেলাবাদক আছিল আৰু 'ব'ম্বে চিম্ফনী অৰ্কেষ্ট্ৰা'ৰ তেওঁ প্ৰতিষ্ঠাপক পৰিচালক আছিল। সেয়েহে নিশ্চিতভাৱে জুবিন মেহতাই সৰুকালিৰেপৰা এটা সাংগীতিক পৰিবেশ পাইছিল যিয়ে তেওঁক পিছলৈ সংগীতৰ এই বিশাল জগতখনত খোজ পেলাবলৈ অনুপ্ৰাণিত কৰিছিল।

জুবিন মেহতাৰ স্কুলীয়া শিক্ষা আৰম্ভ হৈছিল মুম্বাইৰ ছেণ্ট মেৰিজ স্কুলত। তাৰ পিছত তেওঁ মুম্বাইৰে ছেণ্ট জেভিয়াৰ্ছ কলেজত শিক্ষা লাভ কৰিছিল। বিদ্যালয়ত থকা সময়তে তেওঁ জোছেফ ডি লিমাৰপৰা (Joseph de Lima) পিয়ানোৰ শিক্ষা লাভ কৰিছিল। পঢ়া কালত প্ৰথম অৱস্থাত জুবিন মেহতাই চিকিৎসাবিজ্ঞান পঢ়িবলৈ মন মেলিছিল কিন্তু পিছলৈ তেওঁ সংগীতৰ জগতখনলৈ বেছিকৈ আকৰ্ষিত হ'ল আৰু ১৮ বছৰ বয়সত ভিয়েনাত সংগীতৰ ছাত্ৰ হিচাবে হান্স স্বৰোস্কিৰ (Hans Swarowsky) অধীনত শিক্ষা গ্ৰহণ কৰিবলৈ যায়। তেওঁৰ সৈতে একেখন একাডেমিতে জগত বিখ্যাত সংগীত পৰিচালক ক্লডিঅ' এবাড' (Claudeo Abbado) আৰু পিয়ানোবাদক ডেনিয়েল বেৰেণব'ইমেও (Daniel Barenboim) শিক্ষা লাভ কৰিছিল।

১৯৫৮ চনত জুবিন মেহতাই তেওঁৰ প্ৰথমখন সুৰ সমলয় অনুষ্ঠিত কৰে ভিয়েনাত। একেই বছৰতে তেওঁ লিভাৰপুলত আন্তৰ্জাতিক সংগীত পৰিচালকৰ পুৰস্কাৰ লাভ কৰে। ইয়াৰ পিছত আৰু জুবিন মেহতাই পিছলৈ ঘূৰি চাবলগীয়া হোৱা নাই। ১৯৬০ চনত তেওঁ মনট্ৰিল চিম্ফনী অৰ্কেষ্ট্ৰাৰ (Montreal Symphony Orchestra) সংগীত পৰিচালক হিচাবে দায়িত্বভাৰ গ্ৰহণ

কৰে। এইদৰে তেওঁ আমেৰিকা, ইজৰাইল, ফ্ল’ৰেন্স, মিউনিখ, স্পেইন আদি বিভিন্ন দেশ তথা চহৰৰ অৰ্কেষ্ট্ৰা দলৰ সংগীত পৰিচালক হিচাপে কাম কৰে। ভাৰতৰ বিখ্যাত চেতাৰবাদক পণ্ডিত ৰবি শংকৰেও তেওঁৰ পৰিচালনাত এক সুৰ সমলয়ত ভাগ লৈছিল। ১৯৯৪ চনত তেওঁ যুগ’শ্লোভিয়াৰ যুদ্ধত ক্ষতিগ্ৰস্ত লোকসকলৰ সাহায্যাৰ্থে অনুষ্ঠান পৰিবেশন কৰি শিল্পীৰ সামাজিক দায়বদ্ধতাৰ এক নিদৰ্শন দাঙি ধৰে।

১৯৮৪ চনত জুবিন মেহতাই মুম্বাইত নিউয়ৰ্ক ফিলহাৰ্ম’নিক অৰ্কেষ্ট্ৰাৰ সৈতে আৰু ১৯৯৪ চনত ইজৰাইল ফিলহাৰ্ম’নিক অৰ্কেষ্ট্ৰাৰ সৈতে সুৰ সমলয়ৰ অনুষ্ঠান পৰিবেশন কৰে। ২০১৩ চনত তেওঁ ‘এহছাচ-ই-কাশ্মীৰ’ (Ehsaas-e-Kashmir) শীৰ্ষক শ্ৰীনগৰৰ মোগল গাৰ্ডেনত অনুষ্ঠিত হোৱা এটি বিশেষ অনুষ্ঠানত সুৰ সমলয় পৰিবেশন কৰে।

জুবিন মেহতা পৃথিৱীৰ বিভিন্ন দেশত সংগীত জগতত তেওঁৰ অৱদানৰ বাবে সমাদৃত তথা সন্মানিত হৈছে। ১৯৯৯ চনত ৰাষ্ট্ৰসংঘৰদ্বাৰা তেওঁ 'Peace and Tolerance'ৰ জীৱনজোৰা সাধনা বঁটা লাভ কৰে। ভাৰত চৰকাৰেও তেওঁক ১৯৬৬ চনত পদ্মভূষণ আৰু ২০০১ চনত পদ্মবিভূষণ বঁটাৰে সন্মানিত কৰে। ভাৰতৰ ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীয়ে ২০১৩ চনত তেওঁক সাংস্কৃতিক সমন্বয়ৰ বাবে ৰবীন্দ্ৰনাথ ঠাকুৰ বঁটা প্ৰদান কৰে।

তেখেতৰ জীৱনৰ আধাৰত টেৰী ছেণ্ডাৰ্ছে (Terry Sanders) Portrait of Zubin Mehta শীৰ্ষক এখনি তথ্যচিত্ৰ নিৰ্মাণ কৰিছে। ভাৰতৰ গৌৰৱ এইগৰাকী সংগীত পৰিচালকে বৰ্তমান আমেৰিকা যুক্তৰাষ্ট্ৰৰ নাগৰিকত্ব গ্ৰহণ কৰি তাতেই বাস কৰিলেও ভাৰতীয় নাগৰিকত্ব ত্যাগ কৰা নাই। ❑

## কি, ক’ত, কিয় বিখ্যাত?

**ঘূণ** (Weevil) : ঘূণ এবিধ এনেকুৱা কীট যিয়ে কাঠ, বাঁহ, শস্য আদি নষ্ট কৰে। ঘৰুৱা বস্তুৰ অনিষ্ট সাধন কৰা কীটৰ ভিতৰত ঘূণ অন্যতম। ইয়াক সেমেকা জলবায়ুৰ ঠাইত পোৱা যায়। পূৰ্ণবয়স্ক ঘূণ এটা দেখাত ক’লা-বগা বৰণৰ হয়। ইহঁত ৪.৫ মিলিমিটাৰৰপৰা ৭ মিলিমিটাৰ পৰ্যন্ত দীঘল হয়। পূৰ্ণবয়স্ক ঘূণবোৰে উৰিবও পাৰে। কিন্তু ডাঙৰ ঘূণবোৰতকৈ সৰুবোৰেহে বেছি অনিষ্ট কৰে। কণীৰপৰা পূৰ্ণবয়স্ক হ’বলৈ এটা ঘূণক ২৫-৩০ দিন সময় লাগে। এই সময়ছোৱাতে শস্যৰ দানাৰ ভিতৰত আশ্ৰয় লোৱা ঘূণে গোটেই দানাটো পতান কৰি পূৰ্ণবয়স্ক হৈ ওলাই আহে। এজনী মাইকী ঘূণে এবাৰত ৮০টামান কণী পাৰে। পৃথিৱীৰ প্ৰায় সকলো দেশতে ঘূণ পোৱা যায়।


## কুইজৰ উত্তৰসমূহ

১। ১ নেন’ছেকেণ্ড ২। ছুমেৰীয়সকলে ৩। হোমাৰ (বিখ্যাত গ্ৰীক কবি) ৪। গ্ৰেট ব্ৰিটেইন জাঞ্জিবাৰ (টাঞ্জানিয়া) যুদ্ধ। ১৮৯৬ চনৰ ২৭ আগষ্টত উক্ত দুয়োখন দেশৰ মাজত মাত্ৰ ৩৮ মিনিট ধৰি যুদ্ধখন চলিছিল। ৫। চুলতান মামুদে ৬। কথা সৰিৎসাগৰ ৭। আবুল ফাত্‌হ উমৰ ইব্‌ন ইব্ৰাহিম আল-খাইয়াম গিয়াছউদ্দিন ৮। কেম নদী (ইংলেণ্ড) ৯। ফ্ৰান্সৰ পেৰিছ চহৰৰ লুভ্ৰে মিউজিয়ামত ১০। মাৰ্টিন বেহাইম (জাৰ্মান) ১১। শ্বে’ক্সপীয়েৰ ১২। বেদাবল খান ১৩। জ্যোতিৰ্বিজ্ঞানী জন ফ্লামষ্টীডৰ চেষ্টাত (১৬৭৫) ১৪। শিৱ সিংহৰ ৰাণী অম্বিকাই ১৫। বেংগল গেজেট বা কেলকাটা জেনেৰেল এডভাৰটাইজাৰ (১৭৮০ চন, ২৯ জানুৱাৰি) ১৬। লৰ্ড বেণ্টিংক ১৭। গ্ৰেট ব্ৰিটেইন ১৮। মণিৰাম দেৱান ১৯। যদুনাথ চট্টোপাধ্যায় ২০। অসম এছ’চিয়েচন (১৯০৩)।

# ভাৰতৰ জ্ঞানপীঠ বঁটা বিজয়ীসকল

■ কিৰণময়ী কলিতা

*সাহিত্য ক্ষেত্ৰৰ সৰ্বোচ্চ সৰ্বভাৰতীয় সন্মান হ'ল জ্ঞানপীঠ বঁটা। জ্ঞানপীঠ শব্দটি সংস্কৃত ভাষাৰপৰা লোৱা হৈছে। সংস্কৃত ভাষাৰ জ্ঞান আৰু পীঠ (জ্ঞানৰ আসন) শব্দ দুটিৰ সংযোজন ঘটাই জ্ঞানপীঠ শব্দটিৰ সৃষ্টি কৰা হৈছে। এই জ্ঞানপীঠ বঁটা ১৯৬৫ চনৰপৰা প্ৰদান কৰি অহা হৈছে। এই বঁটা পোৱা প্ৰথমগৰাকী ব্যক্তি হ'ল মালায়ালম ভাষাৰ সাহিত্যিক জি. শংকৰ কুৰুপ। (এই শিতানত পৰ্যায়ক্ৰমে বিভিন্ন জ্ঞানপীঠ বঁটা বিজয়ী সাহিত্যিকৰ বিষয়ে লেখা প্ৰকাশ কৰা হ'ব।)*




**জি. শংকৰ কুৰুপ :** জি. শংকৰ কুৰুপ হ'ল জ্ঞানপীঠ বঁটা লাভ কৰা প্ৰথমগৰাকী সাহিত্যিক। মালায়ালম ভাষাৰ 'মহাকবি জী'ৰূপে খ্যাত কুৰুপৰ জন্ম হৈছিল কেৰেলা ৰাজ্যৰ আৰনাকুলম নামে ঠাইত ১৯০১ চনৰ ৩ জুনত। মালায়ালম ভাষাত ৰচিত 'ওদাক্কুঝল' নামৰ কবিতা পুথিখনৰ বাবে ১৯৬৫ চনত তেওঁক জ্ঞানপীঠ বঁটাৰে সন্মানিত কৰা হৈছিল। কুৰুপে শিক্ষক হিচাপে নিজৰ কৰ্মজীৱনৰ আৰম্ভণি কৰি পিছলৈ তেওঁ মহাৰজা কলেজৰ প্ৰবক্তা হিচাপে অৱসৰ গ্ৰহণ কৰিছিল। ১৯৭৮ চনৰ ফেব্ৰুৱাৰি মাহৰ ২ তাৰিখে কুৰুপে এই সংসাৰৰপৰা বিদায় লয়।

তেখেতৰ উল্লেখযোগ্য কবিতাপুথিসমূহ হ'ল— 'সূৰ্যকান্তি' (১৯৩৩), 'নিমিছাম' (১৯৪৫), 'ওদাক্কুঝল' (১৯৫০), 'পাধিকান্তে পাত্তু' (১৯৫৫), 'বিশ্বদৰ্শনম' (১৯৬০), 'মুন্নাৰুভিয়েম আৰু পুঝায়েম' (১৯৬৩), 'জীৱন সংগীতম্' (১৯৬৪), 'সাহিত্য কৌতুকম্' (১৯৬৮) আদি।

প্ৰবন্ধপুথিসমূহ হ'ল—গদ্যোপথৰম্ (১৯৪৭), মুত্থুম চিনিয়াম (১৯৫৮), ওৰমায়ুড ওলাংগলিল (১৯৭৮) আদি।

জ্ঞানপীঠ বঁটাৰ উপৰিও কুৰুপে নেহেৰু বঁটা (১৯৬৭), পদ্মভূষণ বঁটা (১৯৬৮), কেৰেলা সাহিত্য অকাডেমি বঁটা (১৯৬১) আৰু কেন্দ্ৰীয় সাহিত্য অকাডেমি বঁটা (১৯৬৩) আদি বঁটাৰে সন্মানিত হৈছিল।

## ২০১৩ বৰ্ষৰ জ্ঞানপীঠ বঁটা বিজয়ী কেদাৰনাথ সিং



নীৰৱ সাধনাই হৈছে প্ৰতিষ্ঠা আৰু স্বীকৃতি লাভৰ মূলমন্ত্ৰ। এই কথাষাৰৰ সত্যতা প্ৰকাশ কৰিলে ২০১৩ বৰ্ষৰ জ্ঞানপীঠ বঁটা বিজয়ী হিন্দী কবি আৰু সমালোচক কেদাৰনাথ সিঙে। ভাৰতৰ প্ৰখ্যাত জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত হিন্দী বিভাগৰ মুৰব্বীৰ আসন অলংকৃত কৰা কেদাৰনাথ সিঙৰ জন্ম হৈছিল ১৯৩৪ চনত উত্তৰ প্ৰদেশৰ বলিয়া জিলাৰ চকিয়া নামৰ এখনি সৰু গাঁৱত। তেওঁ স্নাতকোত্তৰ আৰু ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল প্ৰখ্যাত বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰপৰা। তাৰ পিছত তেওঁ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত হিন্দী বিভাগৰ প্ৰবক্তা হিচাপে যোগদান কৰিছিল।

কেদাৰনাথ সিঙৰ কবিতাত এক বিশেষ সত্যতা আৰু গভীৰতা অন্তৰ্নিহিত হৈ

আছে। সংবেদনশীলতা, মানৱীয় প্ৰমূল্যবোধ, নাটকীয়তা আদি কেদাৰনাথ সিঙৰ কবিতাৰ প্ৰধান বৈশিষ্ট্য। এই বৈশিষ্ট্যসমূহে সিঙক 'নয়ী কবিতাৰ' প্ৰতিনিধি কবিসকলৰ মাজত প্ৰথম শ্ৰেণীৰ কবিৰ মৰ্যাদা প্ৰদান কৰিছে আৰু ইয়াৰ ফলতেই তেওঁ এই সন্মান পাবলৈ সক্ষম হৈছে। তেওঁ ৪৯ সংখ্যক জ্ঞানপীঠ বঁটা বিজয়ী আৰু দশমজন জ্ঞানপীঠ বঁটা বিজয়ী হিন্দী সাহিত্যিক। 'অভী বিলকুল অভী' আৰু 'য়ঁহা সে দেখো' কাব্যসংকলনৰ বাবে তেওঁ বিশেষভাৱে জনপ্ৰিয়। জ্ঞানপীঠৰ উপাধি সিঙে সাহিত্য অকাডেমি বঁটা, মৈথিলি চৰণ গুপ্ত সন্মান, জীৱন ভাৰতী সন্মান, দিনকৰ পুৰস্কাৰ আদি নানান সন্মান লাভ কৰিছিল।

তেওঁৰদ্বাৰা ৰচিত কাব্যসংকলনবোৰ হ'ল—'অভী বিলকুল অভী', 'য়ঁহা সে দেখো', 'জমীন পক ৰহী হে', 'অকাল মে সাৰস', 'বাস' আদি। সিঙৰদ্বাৰা ৰচিত গদ্যসংকলনবোৰ হৈছে—'মেৰে সময় কে শব্দ' আৰু 'কবৰস্থান মে পঞ্চায়ত'।

বৰ্তমান সময়ত স্বাধীনচেতিয়া মানুহৰ বাবে সম্পূৰ্ণ শুদ্ধ আৰু অশুদ্ধ বুলি বিবেচনা কৰাটো একেবাৰে কঠিন হৈ পৰিছে। মানুহৰ এই বিড়ম্বনাক সিঙে নিজৰ ৰচনাৰ মাজেৰে প্ৰকাশ কৰিবলৈ সক্ষম হৈছে। তলত উল্লেখ কৰা কাব্যাংশৰপৰা এই কথা বুজিব পাৰি।

"তুমনে জাহা লিখা হে 'প্যাৰ'
ৱহা লিখ দো 'সড়ক'
ফৰ্ক নহী পৰতা।
মেৰে যুগ কা মুহাবৰা হে
ফৰ্ক নহী পড়তা।"

—ফৰ্ক নহী পড়তা শীৰ্ষক কবিতাৰপৰা

ঠিক সেইদৰে বৰ্তমান যুগত নিজৰ মূল্য আৰু স্বকীয়তা হেৰুওৱা ভাষাক মৰ্যাদা দিবলৈ 'জমীন পক পৰী হে' কাব্যসংকলনত কবিয়ে এনেদৰে প্ৰকাশ কৰিছিল—

"চুপ ৰহনে সে কোই ফায়দা নহী
মেইনে দৌষ্টো চে কহা ঔৰ দৌৰা
সিৰ্ফ খেতো কী ঔৰ
কি শব্দ কহী এক ন গয়ে হে।"

■ **মন্দিতা গোস্বামী**

## বিশ্বকাপ সম্পৰ্কীয় তথ্য

★ বিশ্বকাপত মাত্ৰ এখন খেল খেলা দল—ইণ্ডোনেছিয়া।

★ এখন বিশ্বকাপত সৰ্বাধিক গ'লদাতা—জঁ ফ'ন্টেইন (১৩টা) (ফ্ৰান্স)

★ বিশ্বকাপৰ প্ৰথম হেটট্ৰিক অৰ্জন কৰোঁতা—বাৰ্ট পাটেনুড। (আমেৰিকা যুক্তৰাষ্ট্ৰ)

★ দুখন বিশ্বকাপত হেটট্ৰিক অৰ্জন কৰোঁতা—বাটিষ্টুটা। (আৰ্জেণ্টিনা

# চুড’কু

তলৰ আকৃতি দুটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰপৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড’কু ১৩

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 6 | | 3 | 1 | | 4 | 8 | 7 | |
| 8 | 1 | | 6 | 2 | 5 | | 9 | 4 |
| | 5 | 4 | | 8 | 3 | 2 | | 6 |
| 3 | 6 | | 9 | 1 | | 5 | 4 | 7 |
| 4 | | 2 | 8 | 5 | 6 | | 3 | 1 |
| | 9 | 1 | | | 7 | 6 | 8 | |
| 1 | 3 | | 2 | 4 | | 7 | 6 | 9 |
| 2 | | 6 | | | 9 | | 5 | |
| | 8 | 9 | | 6 | 1 | | 2 | 3 |

## চুড’কু ১৪

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 5 | 3 | | | 7 | | | 1 | 2 |
| 6 | | | 1 | 9 | 5 | | | 8 |
| | 9 | 8 | | | | | 6 | 7 |
| 8 | 5 | 9 | | 6 | | | 2 | 3 |
| 4 | | | 8 | | 3 | | | 1 |
| 7 | 1 | | 9 | | 4 | | | 6 |
| | 6 | 1 | | | | 2 | 8 | 4 |
| | | | 4 | 1 | 9 | 6 | 3 | |
| 3 | | 5 | | 8 | 6 | 1 | 7 | |

## চুড’কু ১১ আৰু ১২ৰ সমাধান

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 5 | 3 | 2 | 4 | 9 | 7 | 8 | 6 | 1 |
| 6 | 1 | 4 | 5 | 8 | 3 | 2 | 9 | 7 |
| 9 | 7 | 8 | 6 | 2 | 1 | 4 | 3 | 5 |
| 4 | 8 | 7 | 3 | 5 | 6 | 9 | 1 | 2 |
| 2 | 6 | 1 | 9 | 7 | 4 | 5 | 8 | 3 |
| 3 | 5 | 9 | 8 | 1 | 2 | 7 | 4 | 6 |
| 8 | 2 | 6 | 1 | 4 | 5 | 3 | 7 | 9 |
| 1 | 4 | 5 | 7 | 3 | 9 | 6 | 2 | 8 |
| 7 | 9 | 3 | 2 | 6 | 8 | 1 | 5 | 4 |

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 1 | 4 | 3 | 7 | 8 | 2 | 5 | 6 | 9 |
| 5 | 9 | 8 | 4 | 6 | 1 | 2 | 3 | 7 |
| 7 | 6 | 2 | 5 | 9 | 3 | 4 | 8 | 1 |
| 3 | 8 | 7 | 6 | 1 | 4 | 2 | 9 | 5 |
| 4 | 2 | 6 | 9 | 5 | 7 | 3 | 1 | 8 |
| 9 | 1 | 5 | 2 | 3 | 8 | 7 | 4 | 6 |
| 6 | 3 | 9 | 8 | 4 | 5 | 1 | 7 | 2 |
| 8 | 7 | 4 | 1 | 2 | 9 | 6 | 5 | 3 |
| 2 | 5 | 1 | 3 | 7 | 6 | 9 | 8 | 4 |

**শুদ্ধ উত্তৰ দিওঁতা :** অসম জাতীয় বিদ্যালয়ৰ (নুনমাটি, গুৱাহাটী) ভায়লিনা বড়ো (৬ষ্ঠ), মৃগাংক মহন্ত (৪ৰ্থ), মৃগাক্ষী চক্ৰৱৰ্তী (৬ষ্ঠ), ভাবনা কলিতা (৬ষ্ঠ), কৃতিকা চৌধুৰী (৬ষ্ঠ), জুৰি কলিতা (৮ম), দৰ্শনা কলিতা (৬ষ্ঠ), পংকজ ভূঞা (৫ম), উপমা শৰ্মা (৭ম), ৰিশান্ত বৰুৱা (৮ম), পূজা তালুকদাৰ (৮ম), দীপজ্যোতি কলিতা (৬ষ্ঠ), নৈমিষা চুতীয়া (৭ম), বৰষা দাস (৮ম), পংখী শৰ্মা (৮ম), মানসী ৰয় (৮ম), ৰিতম দাস (৭ম), ভায়োলিনা কলিতা (৭ম), দেবাশীষ শৰ্মা (৫ম), চিমি কলিতা, নয়নমণি কলিতা (৭ম), নিবিড় ৰঞ্জন শৰ্মা (৪ৰ্থ), মধুস্মিতা ডাউকা (৬ষ্ঠ), দিশা ভট্টাচাৰ্য (৮ম), ডিম্পী সন্দিকৈ (৭ম), সিদ্ধাৰ্থ দত্ত (৫ম), হীৰক তালুকদাৰ (৮ম), বিভৱ তালুকদাৰ (৪ৰ্থ), বৃষ্টি বৈশ্য (৭ম), ভাস্বতী শৰ্মা (৭ম), কৰণ চৌধুৰী (৭ম), কৌস্তুভ মহন্ত (৭ম), লোকেশজ্যোতি দাস (৭ম)।

# ফুটবল বিশ্বকাপ, ২০১৪

■ অৰ্চন কাশ্যপ
দশম শ্ৰেণী, অসম জাতীয় বিদ্যালয়



২০১৪ৰ ফুটবল বিশ্বকাপ আৰম্ভ হয় ফুটবলৰ দেশৰূপে খ্যাত ব্ৰাজিলৰ ছাও পাওলো চহৰৰ এৰেণা কৰিন্থিয়াছ খেলপথাৰত। প্ৰথমখন খেল অনুষ্ঠিত হয় গ্ৰুপ 'এ'ৰ আয়োজক দেশ ব্ৰাজিল আৰু ক্ৰ'ৱেছিয়াৰ মাজত। ক্ৰ'ৱেছিয়াই নিজৰ তাৰকা খেলুৱৈ (বেয়াৰ্ণ মিউনিখ) মাণ্ডুকিছৰ অবিহনে খেলপথাৰত নামিছিল যদিও ব্ৰাজিলৰ (ৰিয়েল মাদ্ৰিদ) লেফট্ বেক্ মাৰ্চেলোৱে এটা আত্মঘাতী গ'ল কৰে। কিন্তু ২৯ মিনিটত ব্ৰাজিলৰ মিডফিল্ডাৰ (চেল্ছিৰ) তাৰকা অস্কাৰে দিয়া এটা সুন্দৰ পাছত ব্ৰাজিলৰ তাৰকা খেলুৱৈ নেইমাৰে (বাৰ্চিলোনা) গ'ল কৰে। খেলখনৰ অন্ততঃ ব্ৰাজিলে ৩-১ গ'লৰ ব্যৱধানত জয়লাভ কৰে।

এইবাৰ বিশ্বকাপৰ লীগ পৰ্যায়ৰ খেলসমূহ অতি ৰোমাঞ্চকৰ আছিল। পিছৰ পৰ্যায়লৈ যাব নোৱাৰিব বুলি ভবা বহুতো দেশ যেনে—ক'ষ্টাৰিকা, চিলি, গ্ৰীচ, মাৰ্কিন যুক্তৰাষ্ট্ৰ আদিয়ে পৰৱৰ্তী পৰ্যায় অৰ্থাৎ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। আনহাতে স্পেইন, ইংলেণ্ড, ইটালী, পৰ্টুগাল আদি অতি শক্তিশালী দলো লীগ পৰ্যায়ৰপৰাই বাহিৰ হয়  লীগ পৰ্যায়তে জাৰ্মানীৰ থমাছ মুলাৰে (বেয়াৰ্ণ মিউনিখ) পৰ্টুগালৰ বিৰুদ্ধে হেটট্ৰিক অৰ্জন কৰে আৰু নেডাৰলেণ্ডচে যোৱাবাৰৰ চেম্পিয়ন স্পেইনক অপ্ৰত্যাশিতভাৱে ৫-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। এইবাৰ ব্ৰাজিল মেক্সিকো, চিলি, নেদাৰলেণ্ডচ, কলম্বিয়া, গ্ৰীছ, উৰুগুৱে, ক'ষ্টাৰিকা, ফ্ৰান্স, ছুইজাৰলেণ্ড, নাইজেৰিয়া, আৰ্জেণ্টিনা, জাৰ্মানী, মাৰ্কিন যুক্তৰাষ্ট্ৰ, আলজেৰিয়া আৰু বেলজিয়াম এই ১৬ খন দেশে প্ৰি-কোৱাৰ্টাৰ ফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰিছিল।

প্ৰি-কোৱাৰ্টাৰ ফাইনেলত বিভিন্ন দলৰ গ'লৰক্ষকসকল উজ্বলি উঠে। ইয়াৰ ভিতৰত ব্ৰাজিলৰ গ'লৰক্ষক জুলিঅ' চিজাৰ, ক'ষ্টাৰিকাৰ কেইলাৰ নাভাছ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ গ'লৰক্ষক টিম হাৱাৰ্ড উল্লেখযোগ্য। টিম হাৱাৰ্ডে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু বেলজিয়ামৰ মাজত হোৱা খেলখনত বেলজিয়ামৰ ১৬টা শ্বট প্ৰতিহত কৰি বিশ্ব অভিলেখ স্থাপন কৰে। প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰপৰা ব্ৰাজিল, নেদাৰলেণ্ডচ, কলম্বিয়া, ক'ষ্টাৰিকা, ফ্ৰান্স, আৰ্জেণ্টিনা, জাৰ্মানী, বেলজিয়াম এই ৮টা দলে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। আনহাতে প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰপৰা উৰুগুৱেৰ দৰে শক্তিশালী দল, কলম্বিয়াৰ দৰে অপ্ৰত্যাশিত দলৰ লগত পৰাজিত হৈ বাহিৰ হ'বলগীয়া হয়।

কোৱাৰ্টাৰ ফাইনেলৰ প্ৰথমখন খেল হয় ফ্ৰান্স আৰু জাৰ্মানীৰ মাজত। খেলখনৰ ১৩ মিনিটত জাৰ্মানীৰ (বৰুছিয়া ডৰ্টমাণ্ড) ডিফেণ্ডাৰ মেট্ছ হামেল্ছে গ'ল কৰি জাৰ্মানীক অগ্ৰগতি দিয়ে আৰু খেলৰ অন্তত জাৰ্মানী ১-০ গ'লৰ ব্যৱধানত জয়ী হয়। দ্বিতীয়খন খেলত

ব্ৰাজিলে কলম্বিয়াক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। কিন্তু এই জয় ব্ৰাজিলৰ বাবে সুখকৰ নাছিল। কলম্বিয়াৰ খেলুৱৈ জুৱান জুনিগাৰ আঁঠুৰ আঘাতত ব্ৰাজিলৰ তাৰকা খেলুৱৈ নেইমাৰ বেয়াকৈ আঘাতপ্ৰাপ্ত হয়। আনহাতে ব্ৰাজিলৰ অধিনায়ক থিয়াগ' ছিল্‌ভায়ো ছেমি ফাইনেলত খেলাৰ বাবে যোগ্যতা হেৰুৱায়। তৃতীয় আৰু চতুৰ্থখন খেলত আৰ্জেণ্টিনা আৰু নেদাৰলেণ্ডচে ক্ৰমে বেলজিয়াম আৰু কষ্টাৰিকাক পৰাজিত কৰে।

ছেমি ফাইনেলৰ প্ৰথমখন খেলত বৃহৎ অঘটন ঘটে। নেইমাৰ আৰু থিয়াগ' ছিল্‌ভাবিহীন ব্ৰাজিল ৭-১ গ'লত জাৰ্মানীৰ হাতত পৰাজিত হয়। এয়া বিশ্বকাপত ব্ৰাজিলৰ সবাতোকৈ শোচনীয় পৰাজয়। ইয়াৰ আগতে ব্ৰাজিলে ১৯৯৮ চনৰ ফ্ৰান্স বিশ্বকাপৰ ফাইনেলত ফ্ৰান্সৰ লগত ৩-০ গ'লত পৰাজিত হৈছিল। আনহাতে ১৯২০ চনত ব্ৰাজিলে উৰুগুৱেৰ হাতত ৬-০ গ'লত পৰাজিত হৈছিল আৰু তেতিয়াৰপৰা ছেমি ফাইনেল খেলখনলৈকে ব্ৰাজিলে কোনো খেলতে ৬টা গ'ল খাবলগীয়া হোৱা নাছিল। দ্বিতীয়খন ছেমি ফাইনেলত আৰ্জেণ্টিনাই নেদাৰলেণ্ডচক পেনাল্টী শ্বুট আউটত হৰুৱায়। আৰ্জেণ্টিনাৰ জয়ৰ নায়ক হয় আৰ্জেণ্টিনাৰ গ'লৰক্ষক ৰোমেৰিঅ'।

তৃতীয় স্থানৰ বাবে হোৱা খেলত নেদাৰলেণ্ডচে ব্ৰাজিলক ৩-০ গ'লত হৰুৱায় আৰু তৃতীয় স্থান লাভ কৰে। ফাইনেলত প্ৰৱেশ কৰা দুয়োটা দল জাৰ্মানী আৰু আৰ্জেণ্টিনা অতি শক্তিশালী আছিল। সেয়েহে প্ৰথম ৯০ মিনিটত কোনো দলে গ'ল কৰিব পৰা নাছিল। কিন্তু অতিৰিক্ত সময়ত ১১৩ মিনিটত জাৰ্মানীৰ (বেয়াৰ্ণ মিউনিখ) খেলুৱৈ মাৰিঅ' গৰেট্‌জে জাৰ্মানীৰ হৈ এটা গ'ল কৰি জাৰ্মানীক জয়যুক্ত কৰে আৰু জাৰ্মানীয়ে সুদীৰ্ঘ ২৪ বছৰৰ মূৰত বিশ্বকাপ দখল কৰে।

এইবাৰ বিশ্বকাপতে জাৰ্মানীৰ মিৰোশ্লাভ ক্লজ বিশ্বকাপৰ সৰ্বাধিক গ'লদাতাৰ অভিলেখ গঢ়ে। ক্লজে ব্ৰাজিলৰ বিৰুদ্ধে গ'ল কৰি বিশ্বকাপত নিজৰ গ'লৰ সংখ্যা ১৬টালৈ বৃদ্ধি কৰে। এইবাৰ বিশ্বকাপত কলম্বিয়াৰ জেমছ ৰ'ড্ৰিগুৱেজে তেওঁ খেলা ৫ খন খেলৰ প্ৰতিখনতে গ'ল কৰি ৬টা গ'ল দিয়ে আৰু গ'ল্ডেন বুট লাভ কৰে। তেওঁৰ প্ৰতিভাৰ বাবে ৰিয়েল মাদ্ৰিদে তেওঁক চুক্তিবদ্ধ কৰে। আনহাতে আৰ্জেণ্টিনাৰ লিয়'নেল মেছিয়ে গ'ল্ডেন বল অৰ্থাৎ বিশ্বকাপৰ শ্ৰেষ্ঠ খেলুৱৈ আৰু জাৰ্মানীৰ গ'লৰক্ষক মেনুৱেল ন'য়াৰে গ'ল্ডেন গ্লভ্‌ছ অৰ্থাৎ শ্ৰেষ্ঠ গ'লৰক্ষকৰ বঁটা লাভ কৰে। ❑

## ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰীসকল

১। **ভি.কে. সিং :** ড'নাৰ, বৈদেশিক পৰিক্ৰমা।

২। **ইন্দৰজিৎ সিং ৰাও :** পৰিকল্পনা, পৰিসংখ্যা আৰু আঁচনি ৰূপায়ণ, প্ৰতিৰক্ষা।

৩। **সন্তোষ কুমাৰ গোৱাৰ :** বস্ত্ৰশিল্প, সংসদী পৰিক্ৰমা, জল সম্পদ, নদী উন্নয়ন।

৪। **শ্ৰীপদ য়েচো নাইক :** সংস্কৃতি, পৰ্যটন।

৫। **ধৰ্মেন্দ্ৰ প্ৰধান :** পেট্ৰ'লিয়াম, প্ৰাকৃতিক গেছ।

৬। **সৰ্বানন্দ সোণোৱাল :** কৰ্মদক্ষতা উন্নয়ন, উদ্যোগীকৰণ, যুৱ পৰিক্ৰমা, ক্ৰীড়া।

৭। **প্ৰকাশ জাভেদকাৰ :** তথ্য আৰু সম্প্ৰচাৰ, পৰিবেশ, বন, জলবায়ু পৰিবৰ্তন, সংসদী পৰিক্ৰমা।

৮। **পিয়ুষ গোৱেল :** শক্তি, কয়লা, নব্য আৰু নবীকৰণ শক্তি।

৯। **জীতেন্দ্ৰ সিং :** বিজ্ঞান আৰু প্ৰযুক্তি, প্ৰধান মন্ত্ৰীৰ কাৰ্যালয়, ভূ-বিজ্ঞান, ৰাজহুৱা আপত্তি নিষ্পত্তিকৰণ বিভাগ, পেঞ্চন, আণৱিক শক্তি, মহাকাশ বিভাগ।

১০। **নিৰ্মলা সীতাৰামন :** বাণিজ্য আৰু উদ্যোগ, বৃহৎ উদ্যোগ পৰিক্ৰমা।

# সঘনাই মনলৈ অহা প্ৰশ্ন

- **সৰিয়হৰ তেলে নাকত ধৰে কিয়?**

☞ সৰিয়হৰ গুটি নিষ্কাশিত কৰি বা পেৰি তেল বাহিৰ কৰা হয়। সৰিয়হত তেলৰ অংশ শতকৰা প্ৰায় ২৫-৩৫ ভাগ। সৰিয়হৰ গুটিৰপৰা নিষ্কাষিত কৰা প্ৰয়োজনীয় তেলৰ লগত মিহলি 'ছিনিগৰিন' নামৰ আন এক পদাৰ্থ মিহলি হৈ থাকে। এই পদাৰ্থবিধে নাক-চকুত পোৰণি বা চেক্‌চেকনি তোলে। সেয়েহে সৰিয়হৰ তেলে নাকত ধৰে।

- **কাঠফুলা সেউজীয়া নহৈ বগা হয় কিয়?**

☞ কাঠফুলা বা বেংছতা যদিও মাটিৰ ওপৰৰ উদ্ভিদ কিন্তু ইয়াত সেউজীয়া ৰং উৎপত্তি কৰা পত্ৰহৰিৎ নাথাকে। সেয়েহে ইহঁতে সালোক সংশ্লেষণৰ জৰিয়তে নিজৰ খাদ্য প্ৰস্তুত কৰিব নোৱাৰে। কাঠফুলাই অন্য মৰা বা পঁচা জীৱদেহৰপৰা খাদ্য সংগ্ৰহ কৰি লয়।

- **বিজুলী-ঢেৰেকণিৰ সৃষ্টি কেনেকৈ হয়?**

☞ আকাশত মেঘে-মেঘে খুন্দা খাই বিজুলীৰ সৃষ্টি হয়। এই প্ৰক্ৰিয়াক বিদুৎ ক্ষৰণ বোলে। মেঘে-মেঘে খুন্দা খাবলৈ বতাহ বা ধুমুহাৰ প্ৰয়োজন। সাধাৰণতে আকাশত বায়ু প্ৰবাহ ঊৰ্ধগামী হোৱাৰ বিপৰীতে মেঘত থকা পানীৰ কণিকাবোৰ তললৈ নামি আহে। এই সঞ্চালনৰ ফলত আধানৰ সৃষ্টি হয় আৰু আধানবোৰ বেলেগ বেলেগ ঠাইত জমা হয়। ধনাত্মক আধানবোৰ মেঘৰ ওপৰফালে আৰু ঋণাত্মক আধানবোৰ মেঘৰ তলৰফালে জমা হয়। সাধাৰণ অৱস্থাত বায়ু বিদ্যুতৰ কু-পৰিৱাহী যদিও, অতি বেছি পৰিমাণে আধান জমা হ'লে ই বিদ্যুৎপ্ৰবাহক প্ৰতিহত কৰিব নোৱাৰা হয়। ফলত ধনাত্মক আৰু ঋণাত্মক আধান জমা হৈ থকা এটুকুৰা মেঘৰপৰা বিপৰীতধৰ্মী আন এটুকুৰা মেঘলৈ আধান স্থানান্তৰিত হ'বলৈ আৰম্ভ কৰে। ইয়াৰ ফলত প্ৰচণ্ড শব্দ আৰু পোহৰ নিৰ্গত হয়। এয়াই বিজুলী-ঢেৰেকণি। কেতিয়াবা ওচৰতে থকা মেঘৰপৰা বহু পৰিমাণৰ আধান ভূপৃষ্ঠলৈ স্থানান্তৰিত হয়। ইয়াক আমি বজ্ৰপাত বুলি কওঁ।

- **পৃথিৱীৰ সকলো স্থানতে কোনো বস্তুৰ ওজন একেইনে?**

☞ কোনো এটা বস্তুক পৃথিৱীয়ে যি বলেৰে আকৰ্ষণ কৰে তাকেই বস্তুটোৰ ওজন বোলা হয়। এই আকৰ্ষণ বল বস্তুটোৰ ভৰ আৰু মাধ্যাকৰ্ষণীয় ত্বৰণৰ পূৰণফল। কোনো এটা বস্তু ওপৰৰপৰা মুক্তভাৱে নামি আহিলে তাৰ বেগৰ যি হাৰত পৰিৱৰ্তন হয় তাকেই মাধ্যাকৰ্ষণীয় ত্বৰণ বোলে। এই মাধ্যাকৰ্ষণীয় ত্বৰণৰ মান পৃথিৱীৰ কেন্দ্ৰৰপৰা কোনো এডোখৰ ঠাইৰ দূৰত্বৰ ওপৰত নিৰ্ভৰ কৰে। এই দূৰত্ব কম হ'লে মাধ্যাকৰ্ষণীয় ত্বৰণৰ মান বেছি হয় আৰু দূৰত্ব বেছি হ'লে মাধ্যাকৰ্ষণীয় ত্বৰণৰ মান কম হয়। সেয়েহে মেৰু অঞ্চলত মাধ্যাকৰ্ষণীয় ত্বৰণৰ মান বেছি আৰু বিষুব অঞ্চলত কম।

মেৰু অঞ্চলত মাধ্যাকৰ্ষণীয় ত্বৰণ কম হোৱাৰ বাবে মাধ্যাকৰ্ষণীয় ত্বৰণ আৰু বস্তুটোৰ ভৰৰ পূৰণফল বেছি হয়। অৰ্থাৎ বস্তুটোৰ ওজন বেছি হয়। আনহাতে বিষুব অঞ্চলত মাধ্যাকৰ্ষণীয় ত্বৰণ কম হোৱা বাবে এই পূৰণফল অৰ্থাৎ বস্তুটোৰ ওজন কম হয়। সেয়েহে ক'ব পাৰি যে পৃথিৱীৰ উপৰিভাগৰ সকলো ঠাইতে কোনো এটা বস্তুৰ ওজন সমান নহয়।

- **তিমি মাছ মাছ হয়নে?**


☞ তিমি মাছ পানীত বাস কৰে আৰু ইয়াৰ আকৃতি মাছৰ দৰে হ'লেও ই প্ৰকৃততে মাছ নহয়, স্তন্যপায়ীহে। ই মাছৰ দৰে কণী নাপাৰে, পোৱালিহে জগায়। অইন মাছৰ দৰে ই শীতলৰক্তী নহয়, উষ্ণৰক্তী। ইয়াৰ বাকলি নাথাকে, স্তন্যপায়ী প্ৰাণীৰ দৰে ছালহে থাকে। ❑

■ *এইবাৰৰ 'সঘনাই মনলৈ অহা প্ৰশ্ন' যুগুতাইছে অসম জাতীয় বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰ খঞ্জন দাসে।*

# ভাৰতৰ লোকসভা, ২০১৪ৰ ৰাজ্য মন্ত্ৰীসকল



কিৰেণ ৰিজিজু



জি এম সিদ্ধেশ্বৰা



উপেন্দ্ৰ কুশ্বৰা




বিষ্ণু দেও সাই




সঞ্জীৱ কুমাৰ বাল্যান



ৰাওচাহেব দাদাৰাও ডাভে



মনোজ সিন্হা



সুদৰ্শন ভগত



পি ৰাধাকৃষ্ণণ



নিহাল চান্দ



কৃষান পাল



এম ডি বাসভ



বিশ্বকাপ বিজয়ী জাৰ্মানী দলটো



সোণালী গ্লোভ বিজেতা: নেৱাৰ



সোণালী বল বিজেতা: মেছি




সোণালী বুট বিজেতা: ৰ'ড্ৰিগুৱেজ